সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা


২৮ বছৰ, ৩৯ সংখ্যা, ৮ আহিন , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 39 Date Of Publication -25 September 2022 Rs.10.00/-




## অসমৰ দূৰ্গা পূজা আৰু হিন্দু-মুছলমানৰ সম্প্ৰীতি

অঞ্জু শাণ্ডিল্য




অসমত প্ৰাচীন কালৰে পৰাই দুৰ্গা পূজাৰ প্ৰচলন হৈ আহিছে। কালিকা পুৰাণৰ মতে, অসম তথা কামৰূপ দেৱী পূজাৰ স্থান ৰূপে চিহ্নিত হৈছে। অষ্টম শতিকাৰ পৰা অসমত দুৰ্গা দেৱীৰ পূজা-অৰ্চনা চলিছিল বুলি বিভিন্ন শাস্ত্ৰত উল্লেখ আছে। অষ্টম শতিকাত ৰজা হৰ্ষবৰ্ধনে দুৰ্গা পূজা কৰাৰ কথা বুৰঞ্জীত পোৱা যায়। গোলাঘাটৰ দেওপানীত থকা চতুৰ্ভুজা দুৰ্গাদেৱীৰ মূৰ্তিজনায়েই হৰ্ষবৰ্ধনৰ দিনৰ মূৰ্তি বুলি প্ৰত্নতাত্ত্বিকসকলে কয়। পালবংশৰ ৰজাসকলৰ দিনতো দুৰ্গা পূজাৰ প্ৰচলন আছিল। কোঁচ, দেউৰী, বড়ো, ভূঞা, কছাৰীসকলেও দুৰ্গাদেৱীৰ আৰাধনা কৰিছিল। আহোম ৰাজত্ব কালত দুৰ্গা পূজাই বিশেষ সমাদৰ লাভ কৰে। শিৱসাগৰৰ ঘনশ্যাম মন্দিৰৰ মৃন্ময় মূৰ্তিৰ ফলকে আহোম যুগৰ দুৰ্গাদেৱীৰ চানেকি দাঙি ধৰে। আহোম বুৰঞ্জীত স্বৰ্গদেউ চুচেন্‌ফাৰ আগৰ পৰাই অসমত দুৰ্গা পূজা প্ৰচলন আছিল বুলি উল্লেখ আছে। বুৰঞ্জীৰ তথ্য মতে, মুকলি গোহাঁই, সুন্দৰ গোহাঁই আদি আহোম ৰাজকোঁৱৰে দুৰ্গা পূজা পাতিছিল। জয়ধ্বজ সিংহৰ দিনত শাক্ত ধৰ্ম ৰাজধৰ্মৰূপে স্বীকৃতি পায়। স্বৰ্গদেউ ৰুদ্ৰসিংহ, শিৱসিংহ, ৰাণী ফুলেশ্বৰী কুঁৱৰী, চুগাম্‌ফা কোঁৱৰ আদিয়েও মহা ধুমধামেৰে দুৰ্গা পূজা পাতিছিল। পাছত লাহে লাহে দুৰ্গা পূজা অসমৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত জনপ্ৰিয় হৈ পৰিল। অসমত দুৰ্গা পূজাৰ প্ৰসাৰ বা জনপ্ৰিয়তা যেনেকৈয়ে নহওক কিয় শক্তিপীঠ কামাখ্যাত দুৰ্গা পূজাৰ প্ৰথম প্ৰচলন

(নপৃষ্ঠাত চাওক)

## শৈশৱৰ দূৰ্গা পূজা আৰু আমিবোৰ

ডাঃ যুতিকা ওজা,মুৰব্বী অধ্যাপিকা, কমিউনিটি মেডিচিন ,গুৱাহাটী চিকিৎসা মহাবিদ্যালয়



চাওতে চাওতে শাৰদীয় দুৰ্গাপূজা আহি পালেহি। যিকোনো বয়সৰ মানুহৰে এই সময়ত মন উগুল-থুগুল হয়। এই সময়খিনিৰ বাবে প্ৰতি বছৰে আমি সকলোৱে বাট চাই থাকো। অৱশ্যে আমাৰ সৰুকালৰ পূজাৰ বাবে মনত যি উৎসাহ- উদ্দীপনা আছিল, বৰ্তমান সেই সৰুচামৰ মাজত সেই উৎসাহ দেখা পোৱা নাযায়। বৰ্তমানৰ পৰিস্থিতি আপাততঃ বহুত সলনি হ'ল লগতে মানুহৰ চিন্তা-চৰ্চা আৰু ভাৱধাৰাও সলনি হ'ল। আজিকালিৰ ল'ৰা ছোৱালীৰ পঢ়াৰ পৰিৱেশ, পঢ়াৰ চাপ, ক্ৰমান্বয়ে বাঢ়ি অহা প্ৰতিযোগিতা মূলক ভাৱধাৰা আদিৰ বাবে প্ৰাণখুলি ফূৰ্তি কৰিব নোৱাৰে। আগৰ দুই বছৰৰ ক'ভিড সংক্ৰমণৰ বাবে দূৰ্গা পূজাৰ আয়োজন ভালদৰে হোৱা নাছিল

( তিনিপৃষ্ঠাত চাওক)

# ‘নিউজ’ৰ ব্ৰহ্মপুত্ৰ শিশুগৃহত ‘হেপাঁহ’ শীৰ্ষক অনুষ্ঠান

ৰঙিলী বাৰ্ত্তাসেৱা- বিগত বৰ্ষৰ দৰে এইবাৰো কামৰূপ মহানগৰৰ গাৰোঘুলি, গড়চুকস্থিত অনাথ শিশুৰ আবাসস্থলী ব্ৰহ্মপুত্ৰ শিশুগৃহত আজি সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিক অনুষ্ঠান নিউজৰ উদ্যোগত আবাসী শিশু সকলৰ বাবে ‘হেপাঁহ’ শীৰ্ষক গীতে মাতে ভাব বিনিময় এক ব্যতিক্ৰমী শিশুসকলৰ বাবে মনোৰঞ্জনৰ অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানৰ আৰম্ভণিতে আবাসী শিশু সকলে ‘তুমি কৰুণাময়’ প্ৰাৰ্থনাটি পৰিৱেশন কৰে। ইয়াৰ পাছতে ব্ৰহ্মপুত্ৰ শিশুগৃহৰ শিশুসকলৰ তত্বাবধায়িকা গীতাঞ্জলি দাসৰ পৰিচালনাত অষ্টম শ্ৰেণীত অধ্যয়নৰত আবাসী ছাত্ৰী টিকু বসুমতাৰীয়ে সুন্দৰ লয়লাসেৰে এটি আধুনিক সৃষ্টিশীল নৃত্য পৰিৱেশন কৰে।



ইয়াৰ পাছতে আবাসী কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে মিলি ভূপেন হাজৰিকাৰ গীত ‘পূজো আহা আই মাতৃ’ ওপৰত আধাৰিত সৃষ্টিশীল নৃত্য পৰিৱেশন কৰে। আবাসী কেইবাগৰাকীও প্ৰতিভাশালী শিশু বৈজয়ন্তী বসুমতাৰী, মণিৰেখা বসুমতাৰী, বৈজয়ন্তী বসুমতাৰী আৰু কৃশ নাথে । গীত, নৃত্য, কবিতা আবৃত্তি আৰু বক্তৃতা পৰিৱেশন কৰে। অনুষ্ঠানত কণমানি শিশুশিল্পীশ্ৰুতি মাধুৰ্য কেইটিমান গীত পৰিৱেশন কৰি আবাসী শিশুসকলক মনোৰঞ্জন দিয়ে। নিউজৰ সম্পাদক ৰাজীৱ কলিতাই নিউজৰ তৰফৰ পৰা আবাসী শিশু সকলৰ পঢ়াশুনাৰ বাবে কাগজ, কলমকে ধৰি পঢ়াৰ বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী প্ৰদান কৰাৰ লগতে শিশুসকলক খোৱাৰ বাবে লঘু আহাৰ বিতৰণ কৰে। শেষত আবাস গৃহৰ চৌহদত নিম গছৰ পুলি ৰোপন কৰা হয়। এই সমগ্ৰ কাৰ্যসূচী সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰে বেচৰকাৰী অনুষ্ঠান ‘ষ্টেপ’ৰ দ্বাৰা পৰিচালিত অনাথ শিশুৰ আৱাস গৃহ ব্ৰহ্মপুত্ৰ শিশুগৃহৰ পৰিচালনাৰ দায়িত্বত থকা উমেশ বৰুৱাই।

# অসম এৰিলে সুদক্ষ, নিষ্ঠাৱান আই পি এছ বিষয়া আনন্দ মিশ্ৰই

ৰঙিলী বাৰ্ত্তাসেৱা- অসম এৰি বিহাৰলৈ যাব আই পি এছ বিষয়া আনন্দ মিশ্ৰ। অসম-মেঘালয় কেডাৰ এৰি বিহাৰ কেডাৰলৈ আনন্দ মিশ্ৰ। শীঘ্ৰেই বিহাৰ কেডাৰত যোগদান কৰিব আৰক্ষী বিষয়াগৰাকীয়ে। বৰ্তমান অসম আৰক্ষীৰ ক্ৰীড়া বিভাগৰ এ আই জি পিৰ দায়িত্বত আছে আনন্দ মিশ্ৰ। জানিব পৰা মতে, ডেপুটেশ্যনত যাব বিচাৰিছিল আনন্দ মিশ্ৰই। ব্যক্তিগত অসুবিধাৰ বাবে ডেপুটেশ্যনৰ বাবে আবেদন কৰিছিল মিশ্ৰই। তাৰ পাছতেই অসম চৰকাৰে আনন্দ মিশ্ৰক অনুমতি দিলে। উল্লেখযোগ্য যে, এগৰাকী সুদক্ষ, নিষ্ঠাৱান আই পি এছ অফিচাৰ হিচাপে পৰিচিত আনন্দ মিশ্ৰ সামাজিক মাধ্যমৰ এগৰাকী বিশেষ চৰ্চিত ব্যক্তি। ২০০৫ চনৰে পৰা অসামৰিক সেৱাৰ বাবে পশ্চিম বংগত প্ৰস্তুতি চলাই ২০১০ চনত ভাৰতীয় অসামৰিক সেৱাৰ পৰীক্ষাত ২২৫ ৰেংকত তেওঁ উত্তীৰ্ণ হয়। ২০১১ চনত তেওঁ প্ৰথম মেঘালয়ত যোগদান কৰে। আই পি এছ প্ৰশিক্ষণ সমাপ্ত কৰি ২০১৩ চনৰ পৰা ২০১৭ চনলৈ তেওঁ মেঘালয়ত প্ৰশাসনিক বিষয়া হিচাপে কাম কৰি অসমলৈ বদলি হয়। ২০১৮ চনৰ পৰা বৰ্তমানলৈকে তেওঁ অসমত কৰ্মৰত আছিল। ২০২০ চনত আনন্দ মিশ্ৰই সফল কৰ্মৰাজিৰ বাবে মুখ্যমন্ত্ৰীৰ আৰক্ষী পুৰস্কাৰো লাভ কৰিছিল। ফেইম ইণ্ডিয়া মেগাজিনৰ জৰীপত ২০২১ চনত ৫০ জন জনপ্ৰিয় আৰক্ষী বিষয়াৰ তালিকাত অন্তৰ্ভুক্ত হৈছিল আনন্দ মিশ্ৰ।

# অসমত উপস্থিত ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সম্পাদক ৰিতুৰাজ সিনহা

ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় জনতা পাৰ্টিৰ ৰাষ্ট্ৰীয় সম্পাদক ৰিতুৰাজ সিনহাই এদিনীয়া কাৰ্যসূচীলৈ অসমত উপস্থিত হয়। ৰাষ্ট্ৰীয় সম্পাদক গৰাকীয়ে ৰাজ্যিক সভাপতি ভবেশ কলিতাৰ উপস্থিতিত দিছপুৰ মণ্ডল সমিতিৰ অন্তৰ্গত ৭ নং বুথৰ বেলতলা কলনীস্থিত শ্ৰী শ্ৰী কালী মন্দিৰৰ প্ৰাংগণত আয়োজিত হৈ যোৱা



“মন কী বাত” অনুষ্ঠানত অংশগ্ৰহণ কৰে। উক্ত অনুষ্ঠানতে ৰাষ্ট্ৰীয় সম্পাদক গৰাকীয়ে পণ্ডিত দীন দয়াল উপাধ্যায় জন্মজয়ন্তী তিথি উপলক্ষে তেখেতৰ প্ৰতিশ্ৰদ্ধা নিবেদন জনায়। এই কাৰ্যসূচীৰ পিছতেই ৰাষ্ট্ৰীয় সম্পাদক গৰাকীয়ে ৰাজ্যিক বিজেপিৰ বশিষ্ঠস্থিত নৱ নিৰ্মিত কাৰ্যালয় পৰিদৰ্শন কৰে। সন্ধিয়া ৰাজ্যিক বিজেপিৰ হেঙেৰাবাৰীস্থিত মুখ্য কাৰ্যালয়ত ৰিতুৰাজ সিনহাই দলৰ কাৰ্যকৰ্তা সকলৰ সৈতে মত বিনিময় কৰে। তেওঁ কয় যে অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বলিষ্ঠ শাসনত অসমত সৰ্বাংগীন বিকাশৰ পথ প্ৰশস্ত হৈছে। তেওঁ লগতে ৰাজ্যিক সভাপতি ভবেশ কলিতাৰ নেতৃত্বৰ লগতে দলৰ কাৰ্যকৰ্তা কামকাজৰ শলাগ লয়।









দূৰ্গা পূজাৰ শুভেচ্ছাৰে
Pet Aid Pet Shop
পেট এইড্
We deals in -
* Dog Food & Accessories
* Veterinary Medicine
* Dog Sale
* Bird Food
* Aquarium
Experience Doctor Available
PET AID
Ph.No.: 97065 08700/98648 40128
B.R.Phookan Road, Bharalumukh, Guwahati-781009

# শৈশৱৰ দূৰ্গা পূজা

আৰু কোনো ধৰণৰ উৎসৱ পাৰ্বন হোৱা নাছিল। কিন্তু এইবাৰ পূজাৰ আয়োজনৰ লগে লগে মানুহৰ মাজত উৎসাহ বৃদ্ধি পোৱা দেখা গৈছে।

সময়ৰ লগে লগে দুৰ্গাপূজাৰ সংখ্যা বৃদ্ধি পাইছে, লগতে জাকজমকতাও বৃদ্ধি পাইছে। আমাৰ শৈশৱকালত পূজাৰ বাবে আমি প্ৰায় এমাহমানৰ আগৰ পৰাই সাজু হও। বহাগ বিহুৰ পিছৰ পৰাই বাঁহৰ চুঙাত পইচা জমা কৰিবলৈ ধৰো। উদ্দেশ্য হ'ল পূজাত বিভিন্ন ধৰণৰ খেলনা আৰু পুতলা কিনাৰ। পূজাৰ এমাহমান আগৰ পৰাই পূজা মণ্ডপৰ পেণ্ডেলবোৰ সাজিবলৈ আৰম্ভ কৰে। গুৱাহাটীৰ মালিগাঁও আদিতে দুমাহমান আগৰ পৰাই পূজাৰ কাম আৰম্ভ হয়। সেইসময়তে মোবাইল ফোন নাছিল, টিভি আদিৰো ব্যাপক প্ৰচলন নাছিল। পূজাৰ আগৰ পৰাই হুইছেল, পেঁপা, পুতলা বন্দুকৰ শব্দই মনত এক অন্যধৰণৰ শিহঁৰণ আনি দিয়ে।

স্কুলৰ পৰা অহাৰ পিছত আমি সমনীয়াবোৰে লগ লাগি সন্ধিয়া পৰত নিৰ্মীয়মান মণ্ডপবোৰ চাবলৈ যাও। সেইসময়ত গাড়ী-মটৰৰ ভিৰ নাছিল। ওচৰ চুবুৰীয়া সকলোৰে সকলোকে চিনি পাইছিল।

পূজাৰ দিনত আমি নতুন কাপোৰ ল'মৈই। তাৰ বাবে দেউতাক কুটৰি কুটৰি ফেন্সী বজাৰলৈ যাও। এতিয়াৰ দৰে সেই দিনত শ্বপিং মল, অনলাইন শ্বপিং আদি নাছিল। বিভিন্ন ঠাইৰ পৰা মানুহে পূজাৰ বজাৰ কৰিবলৈ গুৱাহাটীলৈ আহিছিল। পূজাৰ দিনকেইটাতো আমাৰ সকলোৰে ঘৰত কোনোবা নহয় কোনোবা থকাকৈ আহিবই। মানুহৰ ঘৰবোৰ সৰু আছিল যদিও মনবোৰ বহল আছিল। মুঠতে সকলোৰে ঘৰতেই পূজাৰ সময়ৰ পৰিবেশ উৎসৱমুখৰ আছিল।

পূজাৰ দিনকেইটা আমি বৰ ৰংমনেৰে উপভোগ কৰিছিলো। দিনত এবাৰ ৰাতি এবাৰ মুঠতে কেবাবাৰো আমি পূজা মণ্ডপসমূহত ঘুৰিছিলো। তাৰ উপৰি আমাৰ মুখ্য আকৰ্ষণ আছিল মণ্ডপৰ কাষৰ শাৰী শাৰীকৈ থকা মনোহাৰী দোকানবিলাক। লগৰ বন্ধু বন্ধৱীৰ সৈতে নতুন কাপোৰ পিন্ধি হাতত বেলুন, হুইচেল লৈ সেই দিনকেইটা বাৰুকৈয়ে উপভোগ কৰিছিল। তেতিয়াৰ দিনত গুৱাহাটীত পূজামণ্ডপৰ সংখ্যা কম আছিল। আমি ভৰলুমুখ, কুমাৰপাৰা, শান্তিসভা, ফটাশিল, ফাঁচীবজাৰৰ নদীৰ পাৰৰ পূজা, পুলিচ ৰিজাৰ্ভ আদিত পূজা উপভোগ কৰিছিলো। মণ্ডপৰ কাষৰ খোৱা দোকানবিলাকত জালমুৰি, চিঙৰা, জিলাপি আদিৰ সোৱাদ লৈছিল।

দিনত বন্ধু বান্ধবীৰ লগত ঘূৰাৰ পিছত সন্ধিয়া বেলিকা পৰিয়ালৰ লগত পূজা চাবলৈ গৈছিলো। দিনত চাই থোৱা পুতলা, আদিবোৰ ৰাতি মাঁ-দেউতাৰ লগত কিনিছিলো। ষষ্ঠীৰ বেলবোধনেৰে আৰম্ভ হোৱা দুৰ্গাপূজাৰ মাদকতা নৱমীৰ ৰাতিলৈকে উপভোগ কৰিছিলো। কিন্তু দশমী দুৰ্গাদেৱীৰ প্ৰতিমা বিসৰ্জনৰ দিনটো মনটো এক অবুজ বিষদেৰে ভৰি পৰিছিল। পূজাৰ কেইদিনৰ ফূৰ্ত্তিৰ অন্তত দশমীৰ সন্ধিয়া যেন এক বিষন্নতাই আৱৰি লৈছিল।

দুৰ্গাপূজাই মানুহৰ মনত ভক্তিভাৱ বঢ়োৱাৰ লগতে পৰিয়ালৰ মাজত চেনেহৰ বান্ধোনো মজবুত কৰে, আত্মীয়তা বঢ়ায়। ওচৰ চুবুৰীয়াৰ মাজত চেনেহ-প্ৰীতি বঢ়ায়। মানুহৰ মনত সহনশীলতা আৰু দায়িত্ববোধৰো জ্ঞান দিয়ে। সৰুকালৰ সেই স্মৃতিসমূহে আজিও মনত হেন্দোলনি তোলে। সৰুকালৰ স্মৃতিবোৰ এতিয়াও মনত সজীৱ হৈ আছে।





# পুনৰ চিত্ৰগৃহলৈ অসমীয়া চলচ্চিত্ৰ "একলব্য"

ৰঙিলী বাৰ্ত্তাসেৱা- চলিত বৰ্ষৰ ৭ জানুৱাৰীত সমগ্ৰ অসমত মুক্তিলাভ কৰা অসমীয়া চলচ্চিত্ৰ "একলব্য" পুনৰ চিত্ৰগৃহলৈ আহিব। অহা ৭ অক্টোবৰত সমগ্ৰ অসমতে মুক্তি দিয়া হ'ব এক্সনধৰ্মী ছবিখন। ক'ভিডৰ দ্বিতীয় ঢৌৰ ফলস্বৰূপে অসমৰ প্ৰায়ভাগ ছবিগৃহ বন্ধ কৰিবলগীয়া এক পৰিৱেশৰ সৃষ্টি হৈছিল। যাৰ পৰিণতিত অধিকাংশ দৰ্শকেই ছবিখন উপভোগ কৰাৰ পৰা বঞ্চিত হয়। সেয়ে আই ক্ৰেচনৰ বেনাৰত জুবিন গাৰ্গ আৰু গৰিমা শইকীয়া গাৰ্গে পুনৰবাৰ মুক্তি দিব আলফ্ৰেডৰ দ্বাৰা পৰিচালিত অসমীয়া পূৰ্ণদৈৰ্ঘৰ ছবিখন। মহানগৰীৰ ৰাজগড়স্থিত অভিনয়াত এক সংবাদমেল সম্বাধেন কৰি এই কথা জানিবলৈ দিয়ে গৰিমা শইকীয়া গাৰ্গে। আনহাতে, "একলব্য" ছবিখনৰ লগত সংগতি ৰাখি জুবিন গাৰ্গ আৰু জুবিন গাৰ্গ ফেন ক্লাৱৰ উদ্যোগত ৰখা হৈছে এক মহৎ পদক্ষেপ। ছবিখনৰ পৰা হ'বলগীয়া উপাৰ্জনৰ ১০% ধনৰাশি ব্যৱহাৰ কৰা হ'ব সমাজৰ অসহায় শিশুসকলৰ কল্যাণৰ অৰ্থে। অসহায় শিশুসকলৰ কল্যাণৰ বাবে অহৰহ কাম কৰি অহা মিগুৱেল দাস, অৰ্চনা বৰঠাকুৰকে আদি কৰি সমাজৰ ভিন্ন স্তৰৰ ব্যক্তি তথা দল-সংগঠনে এই পদক্ষেপক ভূয়সী প্ৰশংসা কৰিছে। যুৱ প্ৰজন্মৰ জনপ্ৰিয় অভিনেতা কমল লোচন, ৰূপচন্দা শৰ্মা, হিমাংশু গগৈ, অৰুণ নাথ, চিন্ময় কটকী আদি ন-পুৰণি শিল্পীৰ সমাহাৰেৰে উক্ত ছবিখনত ৰাইজে পাব মনোৰ? নৰ এক ন-সোৱাদ। ইপিনে, নিজৰ ছবিৰ দৰে আন প্ৰযোজনা গোষ্ঠীৰ অসমীয়া ছবি মুক্তিৰ ক্ষেত্ৰত আই ক্ৰিয়েচনে এনেদৰে আহলৈয়ো আগবাঢ়ি আহিব বুলি গৰিমা শইকীয়া গাৰ্গে জনায়।



# দূৰ্গা পূজাৰ আধ্যাত্মিক বৈশিষ্ট্য

ব্ৰহ্মাকুমাৰ আকাশ সাহা,সৰভোগ, বৰপেটা



ভাৰত পবিত্ৰ ভুমি, মানুহ আৰু দেৱতাৰ কৰ্ম আৰু চৰিত্ৰৰ ভুমি, স্বয়ং ভগৱানৰ অৱতৰণ ভুমি। সেই বাবেই ভাৰতত প্ৰতি বছৰে বহুতো উৎসৱ পালন কৰা হয়। যাৰ ফলত মানুহে জীৱনত এক নতুন উদ্যম, উৎসাহ আৰু নতুন প্ৰেৰণা লাভ কৰে। প্ৰতিটো উৎসৱতে কিছুমান আধ্যাত্মিক গোপন কথা নিহিত হৈ থাকে। সেইবাবেই ভাৰত ভুমি মহান। ভাৰত ভুমিক বিশ্বৰ এক মহান তীৰ্থস্থান হিচাপে গণ্য কৰা হয়। সকলো উৎসৱ ইটোৱে সিটোৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। তাৰ ভিতৰত দূৰ্গাপূজা এক অনন্য উৎসৱ। এই উৎসৱৰ বৰ্ণনাত কোৱা হ'য় যে যেতিয়া এই জগতত অজ্ঞানতাৰ অন্ধকাৰ বাঢ়ি যায়, এনে সময়ত নাৰী; শক্তি ৰূপত অৱতৰিত হৈ আসুৰিক শক্তিক ধ্বংস কৰে। বৰ্তমান সময়তো প্ৰতিজন মানুহ; পুনৰ এনে আসুৰিক শক্তি অৰ্থাৎ কু-অভ্যাসৰ বলি হৈ আছে। যেতিয়া মানুহে কু-অভ্যাসৰ পৰা মুক্তি পাব, তেতিয়া তেওঁ দেৱতুল্য হৈ পৰিব। সেইবাবেই আজিও দূৰ্গোৎসৱত এই দানৱৰ পৰা মুক্তি পাবলৈ ৯ গৰাকী দেৱীক আমন্ত্ৰণ কৰা বা পূজা কৰা হয়। কিন্তু আজি দেখিবলৈ পোৱা গৈছে যে প্ৰতি বছৰে দূৰ্গোৎসৱৰ উদযাপন কৰাৰ পিছতো প্ৰতিজন মানুহ দিনক দিনে এই অসুৰ অৰ্থাৎ কামবাসনা, ক্ৰোধ, লোভ, মোহ, অহংকাৰৰ বশৱৰ্তী হৈ পৰিছে, আনহাতে মাতৃ ভগ্নীসকলো নিজৰ দিব্য কৰ্তব্য পাহৰি দেহৰ অভিমানত আহি এই পাঁচ অসুৰৰ বশৱৰ্তী হৈছে। ইয়াৰ বাবেই আজি সমগ্ৰ পৃথিৱীত দুখ, দুৰ্নীতি, অশালীনতা, পাপ বাঢ়ি গৈ আছে।

আজি এফালে ধৰ্মীয় পথত নাৰী সকলক দূৰ্গা, সৰস্বতী, লক্ষ্মী আদি দেৱী ৰূপত পূজা কৰা হয়, আনফালে নাৰীক নৰকৰ দুৱাৰ বুলি কোৱা হয়। এইটো সঁচাকৈয়ে আচৰিত আৰু দুখৰ কথা। আজিৰ নাৰী নিজৰ শক্তি, গুণ, কৰ্তব্য, কলা, সন্মান পাহৰি এই পাঁচ অসুৰৰ বলি হৈ পৰিছে। যাৰ বাবে আজি নাৰীক নৰকৰ দুৱাৰ, অবলা বা দুৰ্ভগীয়া বুলি কোৱা হয়। যদি এই নাৰীসকলে নিজৰ অন্তৰ্নিহিত আত্মাক চিনি পায়, পাঁচ বিকাৰক ত্যাগ কৰে, তেন্তে তেওঁৰ ওপৰত কু-দৃষ্টিৰে চোৱাৰ কোনেও সাহক নকৰিব। এনে নাৰী কোনো দানৱৰ আক্ৰমণত নপৰে, কিন্তু সেই দানৱক নাশ কৰাৰ গৰাকী হ'ব। যেতিয়া এগৰাকী নাৰীয়ে নিজকে জাগ্ৰত কৰিব, তেতিয়া এই নাৰী অবলাৰ সলনি শক্তিশালী হৈ পৰিব। নৰকৰ দুৱাৰৰ সলনি স্বৰ্গৰ দুৱাৰ খুলা দেৱী হৈ পৰিব। গতিকে হে নাৰী শক্তি এতিয়া জাগ্ৰত হওক, সমগ্ৰ বিশ্বই আপোনালোকৰ কৰ্তব্যৰ বাবে আহ্বান জনাইছে। এই দানৱৰ পৰা সমগ্ৰ জগতখনক ৰক্ষা কৰক। আপুনি ২-৩ সন্তানৰ মাতৃ নহয়, সমগ্ৰ পৃথিৱীৰ মাতৃ। আপুনি শিৱময় শক্তি। এই পাঁচ অসুৰৰ বশৱৰ্তী হৈ ক্ষণিক সুখৰ মাজেৰে বৈ যোৱা পৃথিৱীখনক ৰক্ষা কৰক। এয়াই দূৰ্গোৎসৱে আপোনালোকক বাৰে বাৰে মনত পেলাই দিবলৈ আহে। নাৰীৰ বহুতো গুণ, কলা, আৱেগ আৰু বৈশিষ্ট্য আছে। দূৰ্গা মাতাৰ ছবিখনত তেওঁৰ হাতত বিভিন্ন বস্তু দি স্পষ্ট কৰি দিয়া হৈছে। যেনেকৈ, এহাতে পদুম ফুল দেখুৱাইছে, এয়া পদুম ফুলৰ দৰে মৰমলগা, নিৰ্মল জীৱন যাপনৰ কলাৰ প্ৰতীক। আনফালে স্বদৰ্শন চক্ৰ দেখুৱাইছে, এইটো নিজকে চিন্তা কৰাৰ কলাৰ প্ৰতীক। তৃতীয় হাতত তৰোৱাল দেখুৱাবলৈ, এয়া মধুৰ বাণীৰ জৰিয়তে সকলোৰে কল্যাণ কৰিবলৈ আসুৰিক শক্তিৰ নাশ কৰাৰ প্ৰতীক। চতুৰ্থ হাতত শৰ দেখুৱাই, এইটো জ্ঞানৰ শক্তি ৰূপি শৰেৰে অসুৰ ধ্বংসৰ প্ৰতীক। পঞ্চম হাতত ত্ৰিশূল দেখুৱাবলৈ, এয়া মায়াশক্তি ধ্বংস কৰাৰ প্ৰতীক। ষষ্ঠ হাতত আশীৰ্বাদ দিয়া দেখুৱাইছে, এয়া সকলোকে ক্ষমতা দান দিয়াৰ প্ৰতীক। সপ্তম হাতত গদা দেখুওৱা হৈছে, এয়া আধ্যাত্মিক জ্ঞানৰ দ্বাৰা আসুৰিক শক্তিৰ ওপৰত জয়ৰ প্ৰতীক। সেয়া বৰ্তমান সময়তো যদি প্ৰতিগৰাকী নাৰীয়ে এইবোৰ ধাৰণ কৰে, তেন্তে প্ৰতিগৰাকী নাৰী দূৰ্গা, কালি হৈ এই পৃথিৱীত বিয়পি থকা আসুৰিক শক্তিক ধ্বংস কৰি কম সময়ৰ ভিতৰতে পৃথিৱীখনক স্বৰ্গ কৰি তুলিবলৈ সক্ষম হ'ব। তেওঁ প্ৰতিজন মানুহক দানৱৰ পৰা দেৱতুল্যলৈ ৰূপান্তৰিত কৰিবলৈ সক্ষম হ'ব। তেতিয়াহে এনে নাৰীক ভাৰত মাতৃৰ ৰূপত গায়ন কৰা হ'ব। আচলতে প্ৰতিগৰাকী নাৰী শ্ৰদ্ধা, পূজনীয় আৰু অপৰিসীম ক্ষমতাৰ অধিকাৰী। তেওঁ এই জগতত বিয়পি থকা আসুৰিক শক্তিবোৰক ধ্বংস কৰিব পাৰে। কিন্তু আজি দেখা যায় এই জগতৰ মায়াবী আকৰ্ষণৰ বলী হৈ নিজৰ গুণ, কৰ্তব্য, বিশেষত্ববোৰ পাহৰি সকলো শক্তি হেৰুৱাই পেলাইছে, শৰীৰৰ আকৰ্ষণৰ বলি হৈ তেওঁ নিজৰ কৰ্তব্য পাহৰি গৈছে। লুভীয়া আকৰ্ষণৰ

(আঠ পৃষ্ঠাত চাওক)

# মুম্বাইৰ প্ৰথম সাৰ্বজনীন দূৰ্গা পূজা

দেৱীকা বৰপূজাৰী, মুম্বাই



মুম্বাইত অসম ভৱন স্থাপন হোৱাৰ বহু বছৰেই হ'ল। এই ভৱনটোৰ ইঞ্জিনিয়াৰিং দিশ সমূহ চোৱাচিতা কৰিবলৈ ত্ৰিনয়ন সন্দিকৈক অসম চৰকাৰে আবাসিক অভিযন্তা ৰূপে ২০০১ চনত নিযুক্তি দিছিল আৰু এওঁৱেই মুম্বাইৰ অসম ভৱনত নিযুক্তি পোৱা অসম চৰকাৰৰ প্ৰথমজন চৰকাৰী বিষয়া। ২০০১ চনত মুম্বাইলৈ অহা সন্দিকৈয়ে সেই তেতিয়াৰ পৰাই নিজৰ চৰকাৰী কোৱাৰ্টাৰতেই ন দিনীয়াকৈ প্ৰতি বছৰে নৱৰাত্ৰি দূৰ্গা পূজা পাতি আহিছে। সেই সময়ত মুম্বাইত অসমীয়া দূৰ্গাপূজা নাছিল, গতিকে অসমীয়া মানুহবোৰে বঙালী মানুহবোৰে পতা দূৰ্গাপূজা সমূহত ভিৰ কৰিছিল আৰু সেই সময়ত মুম্বাইৰ ফিল্ম ডিভিজনত কাম কৰা চিন্ময় চক্ৰৱৰ্তী আৰু পত্নী ৰাগিনী চক্ৰৱৰ্তীও নবী মুম্বাইত বেংগলী এছোচিয়েচনে পতা পূজালৈ প্ৰতি বছৰেই আহিছিল। তেওঁ পূজা চাবলৈ আহিলে প্ৰতিবাৰেই সন্দিকৈৰ ঘৰত পতা পূজা ভাগত সেৱা এটি জনাই কৈছিল "হেণ্ডিক, আমি অসম ভৱনতেই এখন সাৰ্বজনীন অসমীয়া দূৰ্গাপূজা পাতিব পাৰিলে ভাল আছিল।" কিন্তু দূৰ্গাপূজা এভাগ পতা ইমান সহজ কথা নহয়। ইমান দিনে বন্ধ হৈ থকা ভৱনটো ২০০৪ চনত ৰাইজৰ বাবে মুকলি কৰি দিছিল আৰু সেই সময়ত দেৱাশীৰ্ষ শৰ্মাই সহকাৰী আবাসিক আয়ুক্ত হিচাপে চাকৰিত যোগদান কৰিছিল আৰু তেওঁ বৰ উদ্যমী লোক। ২০০৬ চনত এদিন সন্দিকৈয়ে শ্ৰীশৰ্মাৰ লগত অফিচত কিবা আলোচনা কৰি আছিল আৰু কথাৰ মাজতে সন্দিকৈয়ে কৈছিল "দাদা, অসম ভৱনতো অসমীয়া ৰাইজৰ বাবে এখন দূৰ্গা পূজাৰ আয়োজন কৰিব নোৱাৰি নে?" এই কথাষাৰ সন্দিকৈয়ে কবলৈহে পালে লগে লগেই সকলো কথাতে আগ্ৰহী শৰ্মাই কলে 'কিয় নোৱাৰি'? লগতে শৰ্মাই ইয়াকো কলে যে "মই দূৰ্গা পূজাৰ বিধি একোকে নাজানো, হেণ্ডিক আপুনি আগবাঢ়ক আৰু টকা পইচাৰ বাবে চিন্তা কৰিব নালাগে।" সেই দিনাই সন্ধিয়া সন্দিকৈয়ে তেওঁৰ সমাজ সেৱিকা, ইঞ্জিনীয়াৰ পত্নী কবিতা আৰু জী ৰচনীক লগত লৈ নিউ মুম্বাইৰ ৰাচীৰ চেক্তৰ ৭ ত থকা কালী মন্দিৰ পালেগৈ। তাত গৈ মন্দিৰৰ পূজাৰী সন্দীপন বাবুৰ লগত কথা পাতি গম পালে যে প্ৰায় ২২, ০০০ মান টকা হলেই দূৰ্গাপূজা ভাগ পাতিব পাৰিব। লগে লগেই দেৱাশীৰ্ষ শৰ্মাই কামত লাগি গল আৰু সেই সময়ত দিল্লীত কাৰ্য্যবাহী অভিযন্তা হিচাপে কৰ্মৰত অসম হাউচৰ ইঞ্জিনীয়াৰ ৰত্নেশ্বৰ শইকীয়াই - প্ৰতিমাৰ বাবে দহ হাজাৰ টকা আগবঢ়ায়। প্ৰথম দিনা হোৱা মিটিংখনত বিমল লহকৰ, চিন্ময় চক্ৰৱৰ্তী, দেৱাশীৰ্ষ শৰ্মা, ত্ৰিনয়ন সন্দিকৈ, কিশোৰ কলিতা আৰু নয়ন গোস্বামী উপস্থিত আছিল। যদিও প্ৰথমে সিদ্ধান্ত লোৱা হৈছিল

(আঠ পৃষ্ঠাত চাওক)

# স্মৃতিৰ এটি দুটি কথাৰে

মাধুৰী শৰ্মা সভাপণ্ডিত



(১)

খৰধৰকৈ সকলো সামৰি চাকৰিলৈ ওলাই যাব লাগে মনা। কাষতে ট্ৰেইন ষ্টেচনটো- ট্ৰেইন এক চেকেণ্ড পলম নহয়। একঘণ্টাৰ বাট। দীপো যাব লাগে একে সময়তে। চমিয়ে স্কুলবেগ নিজৰ লগতে ভায়েকৰো সামৰি দুৱাৰ মুখত গাড়ীৰ বাবে অপেক্ষা কৰে। সকৰে পৰা নিজৰ কাম নিজে কৰিব লগা হোৱাত টিফিন ৰেডি কৰা-বাচন খাই উঠি ৱাচিং মেচিনত ভৰাই ৰং মনে ভায়েকক হাতত ধৰি সাত বছৰীয়া চমি স্কুললৈ সাজু হয়। কনমানি বিনজাক চাবলৈ চাৰ্লি আছে। দেউতাকে ড্ৰপ কৰি যায়। দুৱাৰত নক কৰা শুনিলেই খুলি দিও। সু প্ৰভাত-জনাই সোমাই অহা চাৰ্লিক দেখি ভাল লাগে। ইমান শান্ত-ইমান সুন্দৰকৈ বিনজাৰ যত্ন লয়। এমাহৰ বাবে জীয়াৰীৰ ঘৰলৈ আহিছো। সিহঁতৰ ব্যস্ততা দেখিলে বেয়া লাগে।ঘৰৰ বিন পেলোৱাৰ পৰা ফুলনি চাফা কৰালৈকে সকলো নিজ হাতে কৰিব লাগে ।ক্লিনাৰ গৰাকী সপ্তাহত দুদিন আহে। দুদিন ৰান্ধিবলৈ আহে শ্ৰীলংকাৰ ৰুবী। ৰুবীৰ দোচা দেওবাৰৰ সুন্দৰ ব্ৰেকফাষ্ট সঁচাই অপূৰ্ব। তাইৰ ৰ'ল- বেঙেনাৰ গাখীৰ দি ৰন্ধা তৰকাৰী কিয়ে সুন্দৰ। ৰন্ধাৰ মাজে মাজে ৰুবীয়ে মাক-ভনীয়েকৰ ফটো দেখুৱায়। দুখ কৰে দুবছৰ মাকক ল'গ নোপোৱাত। সকু অৱস্থাত ল'ৰা-ছোৱালী কেইটাই আইতাকৰ ঘৰত বৰ ভাল পাইছিল- এতিয়াছোন যাবলে মন নকৰে। এইখন দেশত জন্ম। ধৰণ কৰণ এই দেশৰে ভাল পায়। উৎসৱ-

(আঠ পৃষ্ঠাত চাওক)


POWER SYSTEM AND SOLUTION
Ganeshpara Near, HP petrol Pump.
call - 8011797836
BUY HOME APPLIANCES
ON THIS FESTIVE SEASON & GET
ASSURED GIFT HAMPER
SHOP NOW
*Terms & Condition Apply


JANASANYOG- 2321/22
আপোনাৰ বেংক একাউণ্ট নম্বৰ, ডেবিট-ক্ৰেডিট কাৰ্ড নম্বৰ, পিন, চি ভি ভি নম্বৰ, অ' টি পি কাৰো লগত শ্বেয়াৰ নকৰিব।
আপুনি অনলাইন বিত্তীয় প্ৰৱঞ্চকৰ চিকাৰ হ'ব পাৰে।
যদি আপুনি অনলাইন বিত্তীয় প্ৰৱঞ্চকৰ চিকাৰ হৈছে, তেন্তে ততালিকে অভিযোগ দাখিল কৰক
২৪X৭ হেল্পলাইন নং ১৯৩০ ত
চাইবাৰ অপৰাধৰ গোচৰ
www.cybercrime.gov.in ত
অনলাইনযোগে দাখিল কৰক।
প্ৰতিটো পলতে আপোনাৰ সেৱাত অসম আৰক্ষী
Assam

# দুৰ্গা পূজা আৰু কিছু অনুভৱ ..

কবিতা শৰ্মা ,দিল্লী



এয়া শাৰদীয় বতৰ। কাইলৈৰ পৰা দুৰ্গাপূজা। দুৰ্গা পূজা যিমানেই কাষ চাপে সিমানেই শৈশৱ - কৈশোৰৰ দুৰ্গাপূজাৰ মধুৰ স্মৃতিবোৰে মন আচ্ছন্ন কৰি পেলায়। মন উৰা মাৰে শৈশৱ- কৈশোৰৰ সেই সোণোৱালী দিনবোৰলৈ। পৰিয়ালৰ বাকী সদস্য, লগ - সমনীয়া, আত্মীয় - স্বজনৰ লগত উপভোগ কৰা দুৰ্গাপূজাৰ সেই আনন্দময় দিনবোৰলৈ। পূজা বুলিলেই তেতিয়া আমাৰ ঘৰত ৰাতিপুৱাৰ পৰাই খদমদম। ঘৰত প্ৰতিজন সদস্যৰ বাবে আহে নতুন কাপোৰ। মা- দেউতাই আনি দিয়া সেই নতুন কাপোৰৰ গোন্ধ যেন এতিয়াও আহি নাকত লাগেহি। নতুন কাপোৰ পিন্ধি পূজা চোৱাৰ আনন্দই আছিল সুকীয়া। পূজা চাবলৈ গৈ প্ৰতিখন মণ্ডপৰ দুৰ্গা গোসাঁনীক তন্ন তন্ন কৈ চাইছিলোঁ। বিশেষকৈ মা দুৰ্গাই পিন্ধি থকা ৰঙা চিকমিকীয়া শাৰীখন আছিল মোৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু। মা লক্ষী আৰু মা সৰস্বতীয়ে কি ৰঙৰ শাৰী পিন্ধিছিল তাকো চাইছিলো। মূঠতে প্ৰতিখন পূজা মণ্ডপৰ গণেশ, কাৰ্তিক, মোছাল অসুৰটোৰ পৰা গণেশৰ তলত থকা নিগনিটোলৈকে সকলোবোৰ ৰ লাগি চাইছিলোঁ। ৰং বিৰঙৰ বেলুনবোৰ, পুতলা, গাড়ী, পিষ্টল, পেঁপা, মণিহাৰী - দোকান বোৰ ঘূৰি ঘূৰি চাইছিলোঁ। ঘূৰণীয়া, দীঘলীয়া, সাপ- কুচিয়া, সৰু ডাঙৰ বিভিন্ন আকাৰৰ আৰু বিভিন্ন ডিজাইনৰ বেলুনবোৰ কিনি দিবলৈ মা - দেউতাক কিমান যে আবদাৰ ধৰিছিলোঁ! মনে মনে আশা কৰিছিলোঁ দোকানবোৰৰ আটাইতকৈ ডাঙৰ বেলুনটোৰ গৰাকী হোৱাৰ। আকাশলৈ মূৰ কৰি উৰি থকা গেচ বেলুনবোৰ দেখিলে এনে লাগিছিল যেন বেলুনটো বান্ধি থোৱা দীঘলীয়া সূতা ডালত ধৰি মইও আকাশলৈ উৰা মাৰিম! সন্ধিয়া পূজাথলীৰ আৰতি চাই শিহৰিত হৈছিলোঁ। ঢাক - ঢোলৰ ছেৰেছেৰে দুয়োখন হাত আনকি মুখতো ধুনাদানীটো লৈ টিকটিকিয়া ৰঙা অঙঠাবোৰ এবাৰো নপৰাকৈ কেনেকৈনো ঘূৰি ঘূৰি নাচিছিল তাকে চাই তবধ মানিছিলোঁ। পূজাৰ দিনকেইটাৰ সেই গৰম গৰম জিলাপীৰ সোৱাদ ..... কেনেকৈনো পাহৰিব পাৰিম? যেন গৰম জিলাপীৰ ভাজে- ভাজে, কোহেঁ- কোঁহে থকা মিঠা ৰসবোৰেৰে জীপাল হৈ উঠিছিল আমাৰ মনবোৰো!

আমাৰ দিনত পূজা মণ্ডপবোৰ আজিৰ দৰে হাজাৰৰ ঘৰত নাছিল। পূজাবোৰ আজিৰ দৰে জকমকীয়া আৰু আড়ম্বৰপূৰ্ণও নাছিল। কিন্তু গাম্ভীৰ্য্য আছিল সুকীয়া। পূজা থলীত পুৱাৰ পৰা ৰাতিলৈকে অহৰহ ভাহি অহা গুৰু গম্ভীৰ স্তোত্ৰ পাঠ আৰু মন্ত্ৰ ধ্বনিয়ে চৌদিশ যেন পবিত্ৰতাৰে ঢৌৱাই তুলিছিল। আমাৰ লৰালি কালত আজিৰ দৰে টিভি, কম্পিউটাৰ, ম'বাইল, লেপটপৰ প্ৰাচুৰ্য্য নাছিল যদিও মহালয়াৰ দিনা ৰাতি নৌপুৱাওঁতেই ৰেডিওত বজা স্তোত্ৰ পাঠ শুনি আমি সাৰ পাওঁ, দুৰ্গাপূজাৰ আগমনিৰ বতৰাৰে আমাৰো মন-প্ৰাণ আনন্দত নাচি উঠে।


আধুনিকতাৰ ধাম- খুমীয়াত যিদৰে আজি পূজা মণ্ডপৰ সংখ্যা বাঢ়িছে সেইদৰে প্ৰতিযোগিতা আৰু লগতে ব্যৱসায়ো বাঢ়িছে। কোনে কিমান আকৰ্ষণীয় কৈ পূজা মণ্ডপ সজাব পাৰে তাৰেই যেন প্ৰতিযোগিতা! কিন্তু প্ৰকৃততে চাবলৈ গ'লে এই জাকজমকতা, সাজ-সজ্জা, আকৰ্ষণীয় পূজা মণ্ডপৰ আড়ম্বৰতা এক বাহুল্য মাত্ৰ । পূজাৰ আধ্যাত্মিকতাৰ লগত ইয়াৰ দূৰ দূৰলৈ কোনো সম্পৰ্ক নাই। দেৱী দুৰ্গাক আৰাধনা কৰাৰ মূল উদ্দেশ্য হ'ল- আমাৰ জীৱনৰ দয়া মমতা, পৰহিতৈষণা, আত্মসংযম আৰু লগতে আমাৰ ভিতৰৰ অন্যান্য মহৎ গুণবোৰৰ বিকাশ সাধন কৰি সমাজ, দেশ তথা জাতীয় জীৱনক সুসমৃদ্ধ কৰি তোলা। দেৱী মাৰ আৰাধনাই আমাৰ মনত শান্তি, মৈত্ৰী, ভাতৃত্ববোধ তথা বিশ্বাত্মবোধ জগাই তোলাৰ ওপৰিও আমাক সুপথে পৰিচালিত কৰে। প্ৰকৃততে পৃথিবীৰ প্ৰতিটো উৎসৱ- পাৰ্বণ, পূজা- অৰ্চনাৰ মূল উদ্দেশ্যই হ'ল জীৱনক শান্তিপূৰ্ণ আৰু আনন্দময় কৰি তোলা ।

শৰতৰ স্মৃতিসনা দিনৰ সুবাস অন্তৰত কঢ়িয়াই লৈ ফুৰো সংগোপনে ... শৈশৱত সোনকালে শোৱাপাটি এৰি নিয়ৰত দুভৰি তিয়াই কোঁচ ভৰাই শেৱালি ফুল বুটলাৰ দিনবোৰৰ স্মৃতি কেনেকৈ পাহৰিব পাৰোঁ? বয়স বঢ়াৰ লগে লগে বুকুত অধিক গভীৰ হৈ আহিছে সেই দিনবোৰৰ স্মৃতি! আহিনৰ তলসৰা শেৱালিৰ মৃদু সুবাস, আকাশত উৰা জাক- জাক শৰালিৰ কল-কাকলি, ফৰকাল আকাশত শুকুলা ডাৱৰৰ লুকাভাকু, লুইতৰ বালিত কঁহুৱাৰ মুক্ত নাচোন ...প্ৰকৃতিৰ বুকুৰ সেই অপৰূপ দৃশ্যাৱলী... এতিয়া মাথোঁ কবিতা, গীত, ম'বাইল আৰু টিভি স্ক্ৰীণতহে ৰৈছেগৈ। কংক্ৰিটৰ বন্ধ

(আঠপৃষ্ঠাত চাওক)

# শক্তিৰ উৎস দেৱী দুৰ্গা

মৃগাংক বৰুৱা



প্ৰাচীন অসমৰ দুখন বিখ্যাত পুথি (ধৰ্মীয়) কালিকা পুৰাণ আৰু যোগিনী তন্ত্ৰত দুৰ্গা পূজাৰ বিষয়ে বহুলভাৱে উল্লেখ আছে। প্ৰাক্-ঐতিহাসিক কালৰপৰা অসম অৰ্থাৎ কামৰূপত শক্তি পূজাৰ প্ৰচলন হৈ আহিছে। পৰৱৰ্তী সময়ত ৰজাঘৰীয়া পৃষ্ঠপোষতাত শাক্ত পন্থাই বিশেষ অগ্ৰগতি লাভ কৰিছিল। স্বৰ্গদেউ প্ৰতাপ সিংহৰ দিনতে প্ৰথম দেৱীৰ মৃণ্ময় মূৰ্তিৰ পূজা আৰম্ভ হয়। শৰৎ কালৰ উল্লেখযোগ্য উৎসৱৰূপে প্ৰতি বছৰেই অসম তথা ভাৰতৰ বিভিন্ন স্থানত দুৰ্গা পূজা ৰাজহুৱাভাৱে অনুষ্ঠিত কৰা দেখিবলৈ পোৱা গৈছে। ২৫ শতিকাৰ আগলৈকে দুৰ্গা পূজা মূলতঃ মঠ-মন্দিৰৰ মাজতেই আবদ্ধ আছিল। অতীজতে এই পূজা বসন্ত কালত হৈছিল বাবে ইয়াক বাসন্তী পূজা বুলিও কোৱা হৈছিল। ত্ৰেতাযুগত ৰজা ৰামচন্দ্ৰই সীতা উদ্ধাৰৰ বাবে ৰাৱণক বধ কৰিবলৈ অকালতে শৰৎ কালত দেৱীক বোধন বা জাগ্ৰত কৰি পূজা আৰম্ভ কৰিছিল আৰু ইয়াৰ ফলতেই এই পূজা প্ৰচলন হ'বলৈ ধৰে। সেইবাবে আহিন মাহৰ শুক্লা ষষ্ঠী তিথিত দেৱীক প্ৰথমতে বেলৰ তলত বোধন কৰিহে পূজা মণ্ডপৰ বেদীলৈ আনি পূজা অৰ্চনা কৰা হয়। এই তিথিতেই ষষ্ঠাদি কল্পাৰম্ভ হয়। মৃণ্ময় প্ৰতিমা আৰু নৱপত্ৰিকাক পূজা কৰি অধিবাস কৰা হয়। অধিবাস কৰিবলৈ গন্ধ, মহী, শিলা, পুষ্প, ঘৃত, কজ্জল, ৰজত, ধান্য, দৰ্পণ, তাম্ৰ, দুৰ্বা, ফল, দধি, স্বস্তিক, সিন্দুৰ, সিদ্ধাৰ্থ, শংখ, ৰোচন, অন্ন, সুবৰ্ণ আদি কুৰিবিধ দ্ৰব্যৰ প্ৰয়োজন হয়। ঠিক সেইদৰেই নৱপত্ৰিকা স্থাপন কৰিবলৈ হালধি, কলগছ, কচু, জয়ন্তী, মানকচু, বেল, ধানগছ, ডালিম, অশোকৰ ডাল আদি ৯ বিধ উদ্ভিদৰ প্ৰয়োজন হয়। নৱপত্ৰিকা এইকেইবিধ উদ্ভিদৰ পাতেৰে সজা দুৰ্গা দেৱীৰ মূৰ্তি। এই প্ৰতিবিধ দ্ৰব্যই একোগৰাকী অধিষ্ঠাত্ৰী দেৱীৰ প্ৰতীক। তেনেদৰে হালধি গছত দুৰ্গা, কলগছ ব্ৰহ্মাণীৰ অধিষ্ঠান, কচুগছত কালিকা, জয়ন্তীত কাৰ্তিক, মানকচুত চামুণ্ডা, বেলত শিৱা, ধানগছত লক্ষ্মী, ডালিমত ৰক্তদন্তিকা, অশোকত ৰহিতাৰ অধিষ্ঠান। দুৰ্গাৰেই আন ৰূপ শস্যৰ প্ৰতীক এই নৱ-পত্ৰিকা।

উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ মাজত দেৱী পূজা ভিন্ন নামত জনা যায়। সেয়া হৈছে চুতীয়া দেউৰীৰ 'দেৱী তামায়', জয়ন্তীয়াসকলৰ 'বুঢ়ী গোসানী', তিৱাসকলৰ 'দেৱী কালিকা', গাৰোসকলৰ 'আই-মাতৃ ফজৌ', বড়োসকলৰ 'খামমাইয়া', ডিমাছাসকলৰ 'দেৱী হেৰমতী'। এনেদৰেই ভিন্ন নামেৰে দেৱী দুৰ্গাক প্ৰাচীন কালৰপৰাই ভক্তসকলে পূজা আগবঢ়াই আহিছে আৰু এই পূজাই বৰ্তমানৰ সাৰ্বজনীন ৰূপ পাইছে। প্ৰচলিত প্ৰথামতে শাৰদীয় অমাৱস্যা তিথিত মহালয়াৰ দিনাই দেৱী স্বৰ্গ এৰি মত্যাভিমুখী হয়। মহালয়াৰ প্ৰাতঃকালত চহৰ, নগৰ জনসমুদ্ৰত পৰিণত হয় দেৱীক আদৰাৰ প্ৰস্তুতিৰে। শৈলপুত্ৰী, সিদ্ধিদাত্ৰী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ড, কালৰাত্ৰী, কাত্যায়নী, মহাগৌৰী, ব্ৰহ্মচাৰিণী, স্কন্দমাতা আদি দুৰ্গাৰ ৯টা ৰূপলৈ মনত পেলাই উক্ত দিনৰপৰা দেৱী দুৰ্গাক বহুলোকে প্ৰাৰ্থনা কৰে। দুৰ্গা শব্দৰ অৰ্থই হৈছে দ-দৈত্যকনাশন, উ- বিঘ্ননাশন, ৰ- ৰোগ নাশ, গ-পাপ বিনাস, আ-শত্ৰুনাশ। দুৰ্গা দেৱীয়ে বিশ্বব্ৰহ্মাণ্ডক পালন কৰিবলৈ অথবা পৰিচালনা কৰিবলৈ সময়ে সময়ে বিভিন্ন ৰূপ ধাৰণ কৰিছে বুলি শাস্ত্ৰত আছে। সেয়ে দেৱীৰ এশটা নাম বা শতনামৰ বিষয়ে পোৱা যায়। দেৱী আইৰ এশটা নাম এনেধৰণৰ - (১) জগদ্ধাত্ৰী (২) শাশ্বতী (৩) কালৰূপা, (৪) মধুকৈটভহন্তী, (৫) পৰ্বতবাশিনী, (৬)সাৱিত্ৰী, (৭) লক্ষ্মীচন্দ্ৰা, (৮) মধুকৈটৰৌদ্ৰী,(৯) উগ্ৰচণ্ডা, (১০) বজ্ৰহস্তা, (১১) নৰসিংহী, (১২) শৈলপুত্ৰী, (১৩) ব্ৰহ্মচাৰিণী, (১৪) কালৰাত্ৰী, (১৫) মহাগৌৰী, (১৬) মহিষাসুৰ মৰ্দিনী, (১৭) সিদ্ধিদাত্ৰী (১৮) গৌৰী, (১৯) মহামায়া, (২০) গয়েশ্বৰী, (২১) চন্দিকা (২২) মহাদেৱী, (২৩) ভগৱতী, (২৪) ললিতা দেৱী, (২৫) মাতংগী, (২৬) যোগেশ্বৰী, (২৭) বিমলা, (২৮) সৰ্বমংগলা, (২৯) সতী, (৩০) চন্দ্ৰমুণ্ডবিনাশিনী, (৩১) অপৰাজিতা, (৩২) উমা,(৩৩) ভৱানী, (৩৪) বিজয়া (৩৫) চিত্ৰা, (৩৬) বিৰজা, (৩৭) জয়া (৩৮) শিৱা, (৩৯) চামুণ্ডা, (৪০) শাকম্ভৰী, (৪১) অজিতা,(৪২) বিৰাহী, (৪৩) সত্যা, (৪৪) বেলা, (৪৫)সুধকা, (৪৬) পাৰ্বতী, (৪৭) মহেশ্বৰী (৪৮) অম্বিকা, (৪৯)অৰ্পণা, (৫০) সুৱৰ্ণা, (৫১)কৌমাৰী, (৫২) ৰামেশ্বৰী (৫৩) নৰেশ্বৰী, (৫৪) মুকুটেশ্বৰী, (৫৫) ক্ষেমংকৰী, (৫৬) সৰ্বেশ্বৰী, (৫৭) নাৰায়ণী, (৫৮) ছত্ৰেশ্বৰী, (৫৯) ভৈৰৱী, (৬০) ধনেশ্বৰী, (৬১) পৰমেশ্বৰী, (৬২) দক্ষযজ্ঞ বিনাশিনী, (৬৩) নিশুম্ভশুম্ভহননী, (৬৪) শংখিনী, (৬৫) ভয়ংকৰী, (৬৬) সূলধাৰিণী, (৬৭) পিনাকধাৰিণী, (৬৮) ইন্দ্ৰাণী, (৬৯) আদ্যা, (৭০) অভয়া, (৭১) সুৰেশ্বৰী, (৭২) কামাখ্যা, (৭৩) কামদা, (৭৪) সুৰমা, (৭৫) শুভা, (৭৬) বৰদা, (৭৭) বাৰুণী, (৭৮) জয়ন্তী, (৭৯) শ্ৰীধৰী, (৮০) ত্ৰিনেত্ৰা, (৮১) খৰ্গধাৰিণী, (৮২) কাত্যায়ণী, (৮৩) কৌশিকী, (৮৪) অন্নপূৰ্ণা, (৮৫) কমিনী, (৮৬) মুখদা, (৮৭) পদ্মাৱতী (৮৮) নৱদুৰ্গা, (৮৯) শংকৰী, (৯০) চক্ৰিণী, (৯১) বিশ্বমোহিনী, (৯২) ধৰ্মধাৰিণী, (৯৩)দেৱমোহিনী, (৯৪) সিংহ বাহিনী,(৯৫) তাৰিণী, (৯৬) সৰ্বানী, (৯৭) মহাভয়বিনাশিনী, (৯৮) শোকবিনাশিনী, (৯৯) দণ্ডিনী,

(আঠপৃষ্ঠাত চাওক)

**JANASANYOG- 2317/22**

অসম চৰকাৰ


এতিয়াৰ পৰা আপোনাৰ সম্পত্তি কৰ আপোনাৰ ঘৰৰ পৰাই যিকোনো সময়ত যিকোনো স্থানৰ পৰা সহজতে পৰিশোধ কৰক।

অসম চৰকাৰৰ গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ

## 'সহজলভ্য সম্পত্তি কৰ পৰিশোধ'ৰ অধীনত এক পদক্ষেপ

http://propertytaxassam.in প'ৰ্টেলত প্ৰৱেশ কৰক অথবা প্লেষ্টোৰৰ পৰা মোবাইল এপ ডাউনলোড কৰক → আপোনাৰ দূৰিভাষ নম্বৰ দি এটা একাউণ্ট পঞ্জীয়ন কৰক → সম্পত্তি কৰৰ মূল্যায়ন বাছনি কৰক → আপোনাৰ তথ্য আপডেট কৰক আৰু ইউনিক আই ডি নম্বৰ লাভ কৰক

### সম্পত্তিৰ মূল্যাংকন আৰু পুনঃ মূল্যাংকন কি?

ই এক প্ৰক্ৰিয়া, যাৰ দ্বাৰা মোবাইল এপ অথবা ৱেব পৰ্টেলৰ জৰিয়তে আপুনি ব্যৱহাৰ কৰি থকা মহলাৰ সম্পূৰ্ণ ক্ষেত্ৰৰ সৈতে আপোনাৰ সম্পত্তিৰ তথ্য আপডেট কৰিব পাৰি।

### কোনে এই প্ৰক্ৰিয়া কৰিব লাগে?

জি এম চিৰ বাহিৰে অসমৰ যিকোনো জিলাৰ পৌৰসভা এলেকাৰ সম্পত্তি থকা যিকোনো ব্যক্তি।


### কেনেকৈ পুৰণি কৰ পৰিশোধ কৰিব

- অনলাইন পৰিশোধ প্ৰক্ৰিয়াৰ জৰিয়তে আপোনাৰ বাকী কৰ পৰিশোধ কৰিব পাৰিব।
- আপোনাৰ পুৰণি সম্পত্তি আৰু পৰিশোধৰ বাবে মাত্ৰ তিনিটা প্ৰক্ৰিয়া
  - এপ ডাউনলোড কৰক অথবা পৰ্টেলত প্ৰৱেশ কৰক
  - সম্পত্তি কৰ পৰিশোধ নিৰ্বাচন কৰক
  - আপোনাৰ পুৰণি হ'ল্ডিং নম্বৰ দিয়ক
  - বাকী থকা ধন পৰিশোধ কৰক

### উপকাৰিতা

- পাঁচ মিনিটতে আপোনাৰ হ'ল্ডিং নম্বৰ লাভ কৰক।
- ঘৰৰ পৰাই আপোনাৰ সম্পত্তিৰ তথ্য আপডেট কৰক।
- অন লাইনযোগে যিকোনো স্থানৰ পৰা যিকোনো সময়তে কৰ আদায় দিয়ক।






এপ ডাউনলোডৰ বাবে propertytaxassam.in ৱেবছাইটত প্ৰৱেশ কৰক

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

# স্মৃতিৰ এটি দুটি

পাৰ্বনত এৰি অহা ঘৰখনলৈ ৰুবীৰ বৰ মনত পৰে। মনাক নিজৰ ভনী বুলি ভাবে। তাই দুঘৰত ৰন্ধা-বঢ়া কৰে। তাই বৃদ্ধ জেকভৰ ঘৰত এদিনো নোযোৱাকৈ থাকিব নোৱাৰে-তাই নগলে জেকভ আৰু পত্নী অনাহাৰে থাকিব লাগিব। জেকভে যিমান পাৰে সিমান পত্নীৰ যত্ন লয়। বিচনাত পত্নী এলিজা। এসময়ৰ দুয়োজন বিখ্যাত ডাক্তৰ। তেওঁলোকে বহু লোকক জীৱন দিলে-শেষ বয়সত নিঃসহায় বাৰ্ধক্য আৰু ৰোগগ্ৰস্ততা । জেকভৰ ল'ৰা দুটা দুঠাইত। এটা নৰৱেত এটা আমেৰিকাত। কেণ্টলৈ দুঘণ্টাৰ বাট নৰৱেৰ পৰা। পাঁচ বছৰ অহাই নাই ঘৰলে।বৰদিনত নাতিলৈ কিনা উপহাৰ কেইটা ৰুবীৰ হাতত দি হুকহুকাই কন্দা মিচেছ এলিজাৰ সেই দুখ ৰুবীয়ে সহিব পৰা নাছিল। বৰদিনৰ দিনা ৰুবীয়ে এলিজাক এটি কেক আৰু তেওঁ ভালপোৱা ফুলৰ ঠোকেৰে অভিবাদন জনাইছিল দিনটোৰ আৰম্ভনিতে। ৰুবীৰ মনটো গধূৰ হৈ পৰে দুয়োটা পুত্ৰই যেতিয়া এদিনো তেওঁলোকৰ খবৰ নাৰাখে। ৰুবীক প্ৰায়ে কয় নিজৰ কথা ভাবিবা-বুঢ়া বয়সৰ বাবে পইচা সাচিবা। যাতে আমাৰ দৰে নহয়। সেইখন দেশত ফিউনাৰেল ইনচুৰেঞ্চ থকাত সেইয়া তেওঁলোকে কৰি ৰাখিছে। কিমানযে কথা পাতে ৰুবীয়ে। সময় হ'লে মোক ওচৰৰ শিখ সকলৰ মন্দিৰলৈও লৈ যায়। পৃথিবীৰ সকলো ঠাইৰে মানুহৰ সুখ-দুখ একেই। গুৰুদ্বাৰত লংগৰত মূৰত হালধীয়া কাপোৰ ল'বলৈ সকিয়াই দিয়া ভদ্ৰ লোক জনৰ লগত কথা পাতি আপোনপাহৰা হৈছিলো-তেওঁৰ গুৰিয়াই দিল্লীত পঢ়া-শুনা কৰিছে। মনা-দীপ অফিছত থকাৰ সময়ত ৰুবী-চাৰ্লি মোৰ বন্ধু হৈ পৰিছিল। অকলশৰীয়া অনুভৱ নহৈছিল। চাৰ্লিক গধূলি দেউতাকে অফিছ ছুটীৰ পিছত নিবলে আহে। হাঁহি মুখে ৰিনজাক খুৱাই-বুৱাই সকলো ৰেডি কৰি যায়গৈ। মনা অহালৈকে ৰিনজা মোৰ লগত থাকে-দুবছৰীয়া নাতিজনী। চাৰ্লিৰ কথাবোৰ বৰ মৰমলগা। মিচেছ শৰ্মা তোমাৰ জীয়াৰী নিয়মানুবৰ্তি-পৰিপাটী।বেবীৰ গাখীৰ বটলৰ পৰা নেপিলৈকে ইমান চিজিল-হাত দিলেই সকলো পাও। মনাক প্ৰশংসা কৰি দেউতাকৰ খোজত খোজ মিলাই গুদ বাই দি চাৰ্লি যায়গৈ। সকলো ইমান কৰ্মী-তৃতীয় লিংগৰ ব্যক্তি চাৰ্লিৰ প্ৰতি সন্মান জনালোঁ শ্ৰদ্ধাৰে।

ছোৱালীজনীয়ে পুৱা কোৱা কথাষাৰ মনত পৰি ভাল লাগিল। এইখন দেশে মোক কৰ্মী হ'বলৈ শিকালে। ভাল লাগিল এইখন দেশে শৰনাৰ্থী ৰপে অহা ৰুবী হঁতকো এনেদৰে কৰ্মঠ কৰিছে। গৃহযুদ্ধৰ বাবে শ্ৰীলংকা এৰিবলে বাধ্য হোৱা তামিলমূলৰ ৰুবীয়ে কৈছিল এইখন দেশক ধন্যবাদ। গৃহযুদ্ধৰ বাবে শ্ৰীলংকা এৰিবলৈ বাধ্য হৈছিল কেনেকৈ। শৰনাৰ্থী ৰূপে অহা তেওঁলোকক পৰিবৰ্তিত সময়ত বৃটিছ চৰকাৰে আশ্ৰয় দি স্থায়ী বাসিন্দা নকৰা হ'লে তেওঁলোকৰ জীৱন দুৰ্বিসহ হ'লহেতেন।

# শক্তিৰ উৎস দেৱী দুৰ্গা

(১০০) ব্ৰাহ্মণী।

শাস্ত্ৰত বৰ্ণনা পোৱা যায় মহিষাসুৰৰ উপদ্ৰৱৰপৰা ৰক্ষা কৰিবলৈ ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰপৰা দেৱীৰ আৱিৰ্ভাৱ হ'ল আৰু দেৱীক বিভিন্ন দেৱ-দেৱী, দেৱতাই নিজ নিজ অস্ত্ৰ দান কৰিলে। তাক এনেদৰে শাস্ত্ৰত পোৱা যায়-

শিৱই দিলে ত্ৰিশূল মাতৃক সাগৰ দিলা হাৰ।
প্ৰজাপতিয়ে দিলে মাতৃক অক্ষয় মালাধাৰ।।
ইন্দ্ৰই দিলে বজ্ৰ জয়ঘণ্টা ঐৰাৱত।
বিষ্ণুৱে দিলে চক্ৰ আনি মাতৃৰ হাতত।।
নানা অস্ত্ৰ-শস্ত্ৰ দিলা যত দেৱগণ।
হিমালয়ে দিলে সিংহ ৰত্ন আভৰণ।।
বেগে দেৱী সিংহ পৃষ্ঠে কৰি আৰোহণ।
ৰণ মাজে মাতৃ দেৱী কৰিলা গমন।।

এয়া মহিষমৰ্দ্দিনী দুৰ্গা। এই পূজা শাৰদীয় দুৰ্গোৎসৱৰূপে পালন কৰা হয়।

অসমত বিহু আৰু দুৰ্গা পূজা পালন কৰি অসমৰ বাৰেৰহণীয়া সকলো জাতি, উপ-জাতিয়ে এই উৎসৱৰ মাধ্যমেৰে সমানে ভাগ লৈ বৃহৎ অসমীয়া জাতি হিচাপে চিনাকি দি আহিছে। এনেবিলাক কাৰণতে দুৰ্গা পূজাক বহু লোকে দুৰ্গোৎসৱ বুলি কৈছে। দুৰ্গা পূজাৰ দৰে সকলোকে সামৰি উদ্‌যাপন কৰা উৎসৱবোৰে আমাক সম্প্ৰীতিৰ ক্ষেত্ৰখনলৈ এখোজ আগুৱাই যাবলৈ সহায় কৰিব, সাহস যোগাব।

# দূৰ্গা পূজাৰ আধ্যাত্মিক বৈশিষ্ট্য

আওতালৈ আহি সাজ-সজ্জা, সৌন্দৰ্য, ফেশ্বন, আদিৰে নাৰীয়ে নাৰীত্বৰ মৰ্যাদা, ঐশ্বৰিক নিয়ম আৰু সীমা উলংঘা কৰিছে । সেইবাবে দানৱ বধ কৰাৰ সলনি তেওঁ নিজেই আসুৰিক স্বভাৱৰ হৈ পৰে। ক্ষমতাৰ সলনি ক্ষমতাহীন হৈ পৰে। এনে নাৰীয়ে দানৱৰ পৰা পৃথিৱীখন ৰক্ষা কৰিব নোৱাৰে। যদি এগৰাকী মহিলাই এনে আচৰণ কৰে, তেন্তে পিছলৈ তেওঁৰ বাবে নিজকে ৰক্ষা কৰাটো অতি কঠিন হ'ব। সেয়ে অন্ততঃ নিজকে ৰক্ষা কৰিবলৈ হলে এই ৫ টা আসুৰিক শক্তিক অৰ্থাৎ কামবাসনা, ক্ৰোধ, লোভ, মোহ, অহংকাৰ হৃদয়ৰ পৰা বলিদান দি বিনাশ কৰা উচিত। তেতিয়াহে আগন্তুক সময়ত মৰ্যাদাৰে জীয়াই থাকিব পাৰিব। যদি আপুনি এই আসুৰিক শক্তিবোৰক ধ্বংস কৰে তেন্তে প্ৰকৃতিয়েও আপোনাক সমৰ্থন কৰিব। যিকোনো পৰিস্থিতিত স্বয়ং ভগৱানে আপোনাৰ সহায়ৰ বাবে আহিব। গতিকে নিজকে সাহসী কৰক। ইয়াৰ বাবে প্ৰথমে ঈশ্বৰৰ শ্ৰেষ্ঠমত মানি চলিব লাগিব। এই আসুৰিক শক্তিবোৰৰ ওপৰত জয়লাভ কৰিব লাগিব। তেতিয়া আপুনি পৃথিৱীৰ সন্মুখত শক্তি ৰূপে দেখা পাব। এনে নাৰীক জাগ্ৰত কৰি পুনৰ এই জগতত বিয়পি পৰা আসুৰিক প্ৰবৃত্তিবোৰক নিঃশেষ কৰাৰ স্বাৰ্থত পৰমপিতা শিৱ পৰমাত্মাই জ্ঞানৰ কলহ নাৰীসকলক দিছে । এই জ্ঞানৰ যোগেদি গৃহস্থৰ আচৰণত থাকিও নিজৰ ভিতৰত থকা পাঁচ বিকাৰক সহজে নষ্ট কৰিব পৰা যাব। যেতিয়া আপুনি আপোনাৰ ভিতৰৰ আসুৰিক প্ৰৱণতাবোৰ ধ্বংস কৰিব তেতিয়া আপুনি নিজৰ লগতে পৃথিৱীখনকো সহজে ৰক্ষা কৰিব পাৰিব। এতিয়া পৰমপিতা পৰমাত্মাই প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয়া বিশ্ব বিদ্যালয়ত আপোনালোকক আমন্ত্ৰণ কৰি আছে। জাগক আৰু নিজৰ কৰ্তব্য জানি লওক। এই ঐশ্বৰিক জ্ঞানৰ দ্বাৰা আপোনাৰ ভিতৰত যিবোৰ মহাশক্তি, কলা, গুণ, বৈশিষ্ট্য আছে সেইবোৰক জাগ্ৰত কৰক। এই জ্ঞানৰ দ্বাৰাহে আপুনি নিজৰ জীৱনত আধ্যাত্মিক বিপ্লৱৰ জৰিয়তে অসুৰবোৰক ধ্বংস কৰিবলৈ সক্ষম হ'ব।

# মুম্বাইৰ প্ৰথম সাৰ্বজনীন দুৰ্গা পূজা

যে কোনো কমিটি গঠন কৰা নহয় কিন্তু পাছত কাৰিকৰী দিশলৈ চাই চিন্ময় চক্ৰৱৰ্তীক সভাপতি আৰু দেৱশীষ শৰ্মাক সাধাৰণ সম্পাদক, ত্ৰিনয়ন সন্দিকৈক যুটীয়া সম্পাদক, কিশোৰ কলিতা কোষাধ্যক্ষ হিচাপে লৈ এখন কমিটি গঠন কৰা হয়। পূজাভাগত গুৱাহাটীৰ বস্ত্ৰ ব্যৱসায়ী জগন্নাথ শৰ্মাই ভালেখিনি সহায় সহযোগ আগবঢ়াইছিল আৰু প্ৰতিমাক আমাৰ অসমীয়া মেখেলা চাদৰ আৰু মহিষাসুৰকো ধুতি পঞ্জাৰী পিন্ধোৱা হৈছিল। তদুপৰি, গুৱাহাটীৰ পৰা শ্ৰীমা কামাখ্যা দেৱীৰ মন্দিৰৰ মাটি, পানী আৰু ৰঙা কাপোৰ অনা হৈছিল। বহু বঙালী লোকো এই পূজালৈ আহি ঘৰুৱা অনুভৱ কৰিছিল। প্ৰথম পূজা বুলি অতি সুন্দৰকৈ নৱমীৰ কুমাৰী পূজা আৰু লক্ষ্মী পূজাও পতা হৈছিল। পূজাৰ ভোগ হিচাবে সকলোকে খিচিৰি, লাবৰা, বিলাহীৰ অম্বল আৰু ক্ষীৰ খুওৱা হৈছিল। ইয়াৰ পাছৰে পৰা প্ৰতি বছৰে অসম ভৱনৰ প্ৰাংগণত নিয়মীয়াকৈ দুৰ্গাপূজা ভাগ অসমীয়া ৰাইজে অনুষ্ঠিত কৰি আহিছে। বহু দূৰ দূৰণিত থকা মুম্বাইৰ অসমীয়া লোক নিউ মুম্বাইৰ পূজালৈ আহিছিল। সেইকেইটা দিন গধূলি সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত কৰা হৈছিল। স্থানীয় লোকৰ গীত, নৃত্য, ত্ৰিনয়নৰ গীটাৰ বাদনৰ উপৰিও পূজাৰ অনুষ্ঠান লৈ জুবিন গাৰ্গ, সঙ্গীতা কাকতি, জিতুল সোণোৱাল, কুইন দাস আহি সংগীত পৰিবেশন কৰি সকলোকে আনন্দিত কৰিছিল। সুধাকণ্ঠ ডঃ ভূপেন হাজৰিকাও এই পূজাভাগত আহি পূজাৰ সৌষ্ঠৱ বৃদ্ধি কৰিছিল। এইবাৰ পূজাত অসমৰ দীক্ষু কো গীত গাবলৈ আমন্ত্ৰণ কৰা হৈছে।

# দুৰ্গা পূজা আৰু কিছু অনুভৱ ..

কোঠাৰ ছাৰিবেৰৰ মাজত এয়া কেবল এক মিঠা স্মৃতিহে .... সময়, পৰিবেশ, পৰিস্থিতি সকলো এতিয়া দ্ৰুতগতিত সলনি হৈছে। পৰিবৰ্তনৰ চাকনৈয়াত সুখৰ সংজ্ঞাও সলনি হৈছে। আনন্দৰ উৎসও মানুহৰ একে হৈ থকা নাই। বস্তুবাদী আৰু ভোগ সৰ্বস্ব সুখ আৰু আনন্দ হৈ পৰিছে ব্যক্তিকেন্দ্ৰিক। মানুহৰ মানসিকতা আত্মকেন্দ্ৰিকতাত সীমাবদ্ধ হৈ পৰিছে। আমাৰ জীৱনবোৰ যেন দিনে দিনে কৃত্ৰিম হৈ পৰিছে কিন্তু সময় এনেকুৱাই ... আমি মাত্ৰ স্মৃতিবোৰহে কঢ়িয়াই লৈ ফুৰোঁ। আজি মই নিজৰ ইচ্ছাত নিজৰ পচন্দ অনুযায়ী পূজাৰ কাপোৰ কিনি পিন্ধিলেও মা-দেউতাই পূজাত আনি দিয়া কাপোৰ পিন্ধাৰ সেই আনন্দ, সেই চিনাকি গোন্ধটো বিচাৰি নাপাওঁ। ভিন ভিন সোৱাদৰ বিভিন্ন মিঠাইৰ মাজত গৰম জিলাপীৰ ভাঁজৰ সেই জীপাল সোৱাদ আজি জানো বিচাৰি পাওঁ? আজিৰ প্ৰাচুৰ্য্যৰ মাজত পুৰণি দিনৰ সেই নিৰ্মল আনন্দবোৰ জানো ক'ত হেৰাল! তথাপিও প্ৰকৃতিৰ বুকুলৈ শৰত প্ৰতিবছৰে আহি থাকিব স্ব মহিমাৰে। শৰতে কঢ়িয়াই অনা সুখ শান্তি আমি লব নাজানিলেও শৰতে অকৃপণ হাতেৰে আমাক সদায় বিলায়েই থাকিব। এয়াই হ'ল বাস্তৱ সত্য। আশাকৰো যোৱা দুটা বছৰৰ কঠিন পৰিস্থিতিৰ এইবাৰ অৱসান ঘটিব। এইবাৰৰ দুৰ্গাপূজাই সকলোৰে বাবে আনন্দ আৰু সুখ সমৃদ্ধি কঢ়িয়াই আনে যেন। নিৰাশাৰ কলীয়া ডাৱৰ আঁতৰি সৰ্বত্ৰ এখন নিকা প্ৰতিচ্ছবিৰ প্ৰতিফলন ঘটক তাৰেই কামনা কৰোঁ। সকলোলৈকে দুৰ্গাপূজাৰ শুভকামনা জনালোঁ ।




দুৰ্গা পূজাৰ শুভেচ্ছাৰে
UNIQUE BRAND
Kamarpatty, Dr. J.C. Das Road , (Near Kids Home)
Guwahati 1
Ph no. - 97070-98210, 9508415363
A house of Readymade & Titching
Garments for Gents & Ladies

# দুৰ্গা পূজাত সৌন্দৰ্য্য চৰ্চা

ডাঃ বিজিতা চুতীয়া
বি.এ.এম.এচ., এম.ডি.(আয়ুৰ) জ্যেষ্ঠ গৱেষক, বিকালী মডেল হস্পিতেল, ধূপধৰা



আকৌ দুৰ্গা পূজা পালেহি। উৎসৱ মানেই যেন সাজোন-কাচোন নহয় জানো? পূজাৰ বতৰত যুৱতীসকলৰ মনত এটা ডাঙৰ প্ৰশ্ন-পূজা চাবলৈ যাওঁতে কি সাজ পিন্ধিব, কেনেদৰে নিজকে সাজিব এই বিষয়ে ভাবিবলৈ আৰু বেছি দিন নাই। ছাল, চুলিৰ পৰিচৰ্যা আৰম্ভ কৰিবৰ হ'ল।

সৌন্দৰ্য্য আৰু স্বাস্থ্যৰ সুৰক্ষাত সহজলভ্য আৰু কম খৰছতে প্ৰাকৃতিক উপাদানেৰে ছাল আৰু চুলিৰ পৰাকৈ কেইটামান টিপছ আগবঢ়ালো-

ছালৰ পৰিচৰ্যা-

১) ছালখন নিমজ আৰু উজ্জ্বল কৰি তোলাত দৈ অতি উপকাৰী। সূৰ্য্যৰ ৰশ্মিয়ে ছালত কৰিব পৰা ক্ষতিসমূহ দৈয়ে দূৰ কৰে। দৈৰ লগত কমলা বা নেমুৰ ৰস মিহলাই মুখ পৰিস্কাৰক হিচাপে ব্যৱহাৰ কৰিব পাৰি।

২) দৈ আৰু হালধিৰ ৰস মিহলাই ছালত লগালে ছালৰ ৰং বগা হয়। হালধিত এন্টিছেপ্টিক গুণ আছে। ই ছালৰ বিভিন্ন ৰোগ নিৰাময় কৰে। হালধি লগালে ছালৰ ৰং উজ্জ্বল হয় আৰু চৰ্ম ৰোগ আদিৰ পৰা ছালখন সুৰক্ষিত হৈ থাকে।

৩) দৈৰ লগত বেছনৰ মিশ্ৰণ তৈয়াৰ কৰি মুখত সানিলে শালমইনা কমে, আনহাতে বেছন, হালধি আৰু দৈৰ মিশ্ৰণ তৈয়াৰ কৰি মুখত সানিলে বয়সৰ লগে লগে মুখত পৰা বাৰ্ধক্যৰ আটোৰ সমূহ নাইকিয়া হয়।

৪) গাখীৰেৰে ছালখন ভালকৈ মালিচ কৰিব। ইয়াৰ ফলত ছালখন কোমল আৰু মিহি হ'ব।

৫) গাখীৰ আৰু নেমুৰস মিহলাই দেহত লগাই মালিচ কৰিব। ই ব্লিচিঙৰ কাম কৰিব।

৬) ছালখন উজ্জ্বল কৰি তুলিবলৈ সদায় পুৱা পানীৰ সৈতে মৌ মিহলাই খাব।

৭) ৰ'দত ছালখনৰ উজ্জ্বলতা কমি যায়। সেয়ে তৰমুজৰ ৰসৰ সৈতে বিলাহীৰ ৰস মিহলাই ছালখনত লগাব। দহ মিনিট পিছত ধুই দিব।

৮) স্ক্ৰাব হিচাপে এটা পকা কল, এক চামুচ অ'টছ, এক চামুচ মৌ ভালকৈ মিহলাই মুখত লগাই দুই মিনিট মান স্ক্ৰাব কৰি পাঁচ মিনিটৰ পিছত ধুই দিব।

৯) মচুৰ দাইল তিনি ঘণ্টামান তিয়াই থৈ ভালকে পিচি পেষ্ট বনাই পেক হিচাপে লগাব পাৰে।

ইয়াৰ উপৰিও ছালৰ বিভিন্ন সমস্যা থাকিব পাৰে। তাৰ বাবে এগৰাকী অভিজ্ঞ চিকিৎসকৰ কাষ চাপিব।

চুলিৰ পৰিচৰ্যা-

১) গা ধোৱাৰ আগতে চুলিৰ গুৰিত দৈ সানি আধাঘণ্টামান মালিচ কৰিলে উফিৰ সমস্যাৰ পৰা মুক্তি পোৱাৰ লগতে চুলি কোমল , চিকচিকীয়া আৰু শক্তিশালী হয়।

২) জবা ফুল, জবা ফুলৰ কুমলীয়া পাত, নাৰিকল তেলৰ লগত মিশ্ৰণ বনাই চুলিৰ গুৰিত ১৫ মিনিট ৰাখিলে চুলি মিহি হয়, চুলি গজে আৰু চুলি প্ৰকাৰ পৰাও উপশম পায়।

৩) জেতুকাৰ পাত, পিয়াঁজ, মেথি পাউদাৰ, নাৰিকল তেলৰ মিশ্ৰণ সপ্তাহত দুবাৰকৈ ঘঁহিলে চুলি ক'লা হয়। চুলি সৰা বন্ধ হয়।

৪) জেতুকাৰ পাত আৰু ৰঙা জবা ফুলৰ পাত ভালকৈ পিচি চুলিত লগাওক। ইয়াৰ লগত নাৰিকল তেল , কণী আৰু দৈ অলপো মিহলাব পাৰে। এঘণ্টা ৰাখি ধুই পেলাওক। এনে কৰিলে চুলিখিনিৰ উজ্জ্বলতা বৃদ্ধি পাব।

৫) ঔ টেঙাৰ বীজ ভালদৰে ফেনেকি সামান্য পানী মিহলাই মূৰ ধুবলৈ ব্যৱহাৰ কৰিব লাগে। ঔটেঙাৰ বীজ ব্যৱহাৰ কৰিলে চুলি সৰা বন্ধ হয়, নতুন চুলি গজে। চুলি কোমল হয়।

৬) নাৰিকল তেলৰ লগত মৌ মিহলাই চুলিত লগাই পোন্ধৰ মিনিটৰ পিছত ধুই পেলাব। এই মিশ্ৰণ লগোৱাৰ ফলত চুলিৰ পূৰ্বৰ সৌন্দৰ্য্য ঘূৰি অহাত অৰিহণা যোগাব।

৭) প্ৰাকৃতিক ভাবে চুলিৰ ৰং ৰঙচুৱা কৰিবলৈ জেতুকাৰ পাত অতি উপকাৰী। ইয়াৰ বাবে জেতুকা পাত, কণী, দুচামুচ চেনি, দুচামুচ মৌ, দৈ, চাহ পাতৰ সিজোৱা পানীৰ লগত এৰাতি তিয়াই ৰাখিব লাগে। পিছদিনা পুৱাই সেই মিশ্ৰণ চুলিত লগাই দুঘণ্টা ৰাখি পানীৰে পৰিষ্কাৰকৈ ধুই পেলাব লাগে। সিদিনা ৰাতি মূৰত তেল সানি পিছদিনা শ্বেম্পু কৰিব লাগে। এইদৰে ১৫ দিনৰ মূৰে মূৰে কৰিলে দেখিব চুলিত সুন্দৰ ৰং ধৰিছে। লগতে চুলি সৰা বন্ধ হ'ব, উফিৰ সমস্যাও দূৰ হ'ব।

পূজাৰ বতৰত এইখিনি যত্নৰে নিজকে আকৰ্ষণীয় ৰূপত সজাই তোলক। শেষত সকলোলৈকে শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছা জনালো।

# অসমৰ দুৰ্গা পূজা

অঞ্জু শাণ্ডিল্য

হৈছিল বুলি পুৰণি পুথি-পাঁজিয়ে কৈ আহিছে। দক্ষ যজ্ঞত শিৱপত্নী সতীয়ে শিৱৰ নিন্দা শুনি অপমানিত হৈ প্ৰাণত্যাগ কৰাৰ পাছত সতীৰ মৃতদেহ শিৱ মহাপ্ৰভুৱে কান্ধত লৈ পৰিভ্ৰম কৰোতে বিষ্ণুৱে চক্ৰৰ দ্বাৰা সম্ভাৰ দেহ কাটি নিয়াত দণ্ড-বিখণ্ড হৈ বাৰন্ন ঠাইত পৰিল আৰু তাতেই শক্তিপীঠ গঢ়ি উঠিল আৰু শাক্তধৰ্মৰ ক্ষেত্ৰৰূপে পৰিচিত হৈ পৰে। অসমৰ কামৰূপত পৰিল সতীৰ মহাযোনী, ফলত কামৰূপ হৈ পৰিল দেৱী মহামায়াৰ পীঠস্থান। কামৰূপ মহাপীঠ সৰ্বকামফল প্ৰদম/ কলৌ শীঘ্ৰ ফলাং দেৱী কামৰূপে জপঃ স্মৃতঃ/ কামৰূপং দেৱীক্ষেত্ৰং কুত্ৰাপি তৎ সমাং ন চ/অন্যত্ৰ বিৰলা দেৱী কামৰূপে গৃহে গৃহে। কামৰূপৰ নীলাচল পাহাৰত সতীৰ যোনী অংগ পৰাৰ দৰে বাংলাদেশৰো চাৰি ঠাইত সতীৰ অংগ পৰাত সেই চাৰি ঠাইতো শক্তি তথা দেৱী পীঠ স্থাপিত হয়- সুগন্ধা পীঠ, চত্তাল পীঠ আৰু কৰতোৱা তট পীঠ। এতিয়াৰ দৰে প্ৰাচীন কালত বাংলাদেশ মুছলমান প্ৰধান দেশ নাছিল।' বাংলাদেশে কোল, শবৰ, পুলিন্দ, হাড়ি, জোন, চণ্ডাল প্ৰভৃতি যে সমুদায় অন্তাজ দেখা যায় তাৰাই বাংলাৰ আদিম অধিবাসীৰ বংশধৰ। ভাষাৰ মূলগত ঐকা হইতে সিদ্ধান্ত কৰা যায় যে এই সমুদায় জাতি এটা বিশেষ মানৱ গোষ্ঠী বংশধৰ। এই মানৱ গোষ্ঠীকে অষ্ট্ৰ এছিয়াটিক ও অষ্ট্ৰিক আখ্যা দেখুওৱা হৈছে। কেউ কেউ এযাকে "নিষাদ" আখ্যাও দিয়া থাকে।'(ড আৰ চি মজুমদাৰ, "বাংলাদেশেৰ ইতিহাস',পৃঃ১০) এই অষ্ট্ৰিক গোষ্ঠীৰ লোকসকলে মাতৃ পূজা কৰিছিল। অসমতো প্ৰাচীন কালৰে পৰা অষ্ট্ৰিক গোষ্ঠীৰ লোকে বাস কৰিছিল।

আগলৈ....

# শাৰদীয় স্তৱক

বৰ্ণালী চৌধুৰী,
কন্যা মহাবিদ্যালয়



(১)
জোনাক সৰা ৰাতিৰ বুকুত
তুমি আৰু মই,
শুভ্ৰ শেৱালিৰ সুবাসত
দুটি মন হৈ পৰে প্ৰাণমন,
(২)
আকাশ আছে বাবেই জোনাক আছে,
আকাশ আছে বাবেই জোনাকৰ পোহৰ,
যেন হৃদয়জুৰি বোৱাই দিব
পোহৰৰ লহৰ।



# শান্তি, সম্প্ৰীতি আৰু সমণ্বয়ৰ অসম

ফখৰুদ্দিন আহমেদ



প্ৰাকৃতিক সৌন্দৰ্যত চহকী অসম। ঠিক তেনেদৰে ইয়াৰ বাসিন্দা সকলৰো মনবোৰ সেউজীয়া। শান্তি, সম্প্ৰীতি আৰু সমণ্বয়ৰ দ্বাৰা পৰিবেষ্টিত অসমৰ সমাজ ব্যৱস্থা সঁচাকৈয়ে মোহনীয়। বিভিন্ন সময়ত সাতামপুৰুষীয়া এই শান্তি, সম্প্ৰীতি আৰু সমণ্বয়ক নস্যাৎ কৰিবলৈ কিছুমান অশুভ শক্তিয়ে যত্ন কৰি আহিছে যদিও সেয়া কোনো কাৰণতে সফল হোৱা পৰিলক্ষিত হোৱা নাই আৰু নিশ্চয়কৈ অনাগত ভৱিষ্যতে সফল নহয়ো।

আমি বাস কৰা জিলা দৰঙত বহুতো গাঁৱৰ লগতে থকা দুখনি গাঁৱৰ নাম হৈছে বিষ্ণুপুৰ আৰু হুছেইন চুবুৰী। আচৰিত লগতে মোহনীয় বিষয়টি এই যে বিষ্ণুপুৰত এঘৰো হিন্দু ধৰ্মৰ মানুহ নাই আৰু হুছেইন চুবুৰীত এঘৰো ইছলাম ধৰ্মৰ মানুহ নাই। বছৰৰ পিছত বছৰ অতিক্ৰম কৰি গৈ আছে। বিষ্ণুপুৰ আৰু হুছেইন চুবুৰী নামটোক লৈ দুয়োখন গাঁৱৰ মানুহৰ কোনো সমস্যা হোৱা নাই। সকলোৱে নিজৰ দৈনন্দিন জীৱনৰ কামকাজবোৰ কৰি কালাতিপাত কৰি আছে। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ অনন্য মাইলৰ খুটি স্বৰূপ পাথৰিঘাট অঞ্চলৰ এটি ঐতিহাসিক পুখুৰীৰ নাম হৈছে জয়পাল পুখুৰী। এই পুখুৰীটোৰ এটি বৈশিষ্ট্য হৈ বাৰিষা আৰু খৰাং উভয় কালতে ভিতৰৰ জক ৰাশি পাৰৰ সমান হৈ থাকে। শুকাই নাযায়। এই পুখুৰীটোৰ লগত আধ্যাত্মিক ধৰ্মীয় দৰ্শণ জৰিত হৈ আছে। উক্ত অঞ্চলত বসবাস কৰা হিন্দু মুছলমান ৰাইজৰ একতাৰ কথা প্ৰকাশ হয় পুখুৰীৰ উত্তৰ পাৰত থকা মছজিদ আৰু দক্ষিন পাৰত থকা মন্দিৰৰ অবস্থিতিয়ে। মছজিদত হোৱা পাছৰক্ত নমাজৰ আজান আৰু মন্দিৰত পুৰা গধুলি বজোৱা দবা, শংখৰ ধ্বনি এই অঞ্চলৰ হিন্দু মুছলমান ৰাইজৰ মনৰ প্ৰশান্তিৰ মূল উৎস বুলি উল্লেখ কৰিব পাৰি। আঞ্চলিক পৰ্যায়ৰ সকলো উন্নয়ণৰ বিষয় সন্দৰ্ভত উভয় ধৰ্মৰ ৰাইজে মিলা প্ৰীতিৰে একেখন মঞ্চত বহিয়েই আজিও আলোচনা বিলোচনা কৰে।

কামৰূপ গ্ৰাম্য জিলাৰ অন্তৰ্গত হাজো বিখ্যাত তাত থকা হয়গ্ৰীৱ মন্দিৰ আৰু পোৱা মক্কা দৰ্গাহৰ বাবে। দুয়োটি পবিত্ৰ স্থানতেই হিন্দু মুছলমান ধৰ্ম নিৰ্বিশেষে লোকে লোকাৰণ্য হৈ থাকে। হাজোলৈ যোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ আজ্ঞাঠুৰিৰ সমীপত প্ৰায় ওচৰা ওচৰিকৈ এটি মন্দিৰ আৰু এটি পীৰৰ দৰ্গাহ। ইয়াতো সম্প্ৰীতি আৰু সমণ্বয়ৰ মাজেৰেই ধৰ্মীয় অনুষ্ঠান দুটিত কাম কাজ চলি আছে। দুয়ো স্থানত দৰ্শনাৰ্থীয়ে জ্বলোৱা ধুপকাঠিৰ সুগন্ধিয়ে মলমলাই তোলে সেই ঘাই পথেৰে গমন কৰা প্ৰতিজন পথচাৰী, বাটৰুৱাক। জানিব পৰা মতে শিৱসাগৰ জিলাৰ দিখৌ মুখত থকা আজান পীৰ চাহেবৰ দৰ্গাহৰ ওচৰতো কোনো মুছলমান লোক বসতি নাই বুলিবই পাৰি। কিন্তু ওচৰে পাজৰে বসবাস কৰা হিন্দু সনাতন ধৰ্মৰ লোক সকলেই চোৱাচিতা কৰে সেই দৰ্গাহৰ কাৰ্যকৰ্ম। পৰিচালনা সমিতি আছে যদিও তেখেত সকলৰ বাসস্থান দুৰৈত।

এনে ধৰণৰ প্ৰতিচ্ছবিৰ তালিকা সমগ্ৰ অসম ধৰি উলিয়াব গ'লে ক্ৰমিক নম্বৰ বহু হ'ব গৈ। পৰ্যালোচনা কৰিবলৈ গ'লৈ দৃষ্টিগোচৰ হয় যে তাহানিৰ পৰা সাম্প্ৰতিক সময়লৈ অসম আৰু অসমীয়াৰ সমাজ ব্যৱস্থাৰ মূল চালিকা শক্তিয়েই হৈছে আন্তঃ ধৰ্মীয় শান্তি, সম্প্ৰীতি আৰু সমণ্বয়। সাম্প্ৰতিক সময়ত সাতাম পুৰুষীয়া শান্তি, সম্প্ৰীতি আৰু সমণ্বয়ৰ ৰম্যভুমি অসমত ধৰ্ম নিৰ্বিশেষে কিছুমান উগ্ৰ সাম্প্ৰদায়িক মন্তব্য দাতা প্ৰবক্তাৰ আবিৰ্ভাব হৈছে। অসমৰ প্ৰতিজন বাসিন্দাৰ নখ দৰ্পণত আছে তেওলোকৰ নাম। সেয়া বহলাই ব্যাখ্যা কৰা নিস্প্ৰয়োজন। এনে ধৰণৰ নতিবাচক ব্যক্তিত্বক অসমৰ জনগণে ইতিমধ্যে প্ৰত্যাখ্যান কৰিছে। শান্তি, সম্প্ৰীতি আৰু সমণ্বয়ৰ যি পৰিক্ৰমা জাতি, ধৰ্ম আৰু সম্প্ৰদায় নিৰ্বিশেষে পবিত্ৰ অসম ভুমিত তাহানি কালৰ পৰা বৰ্তি আহিছে, সেই পৰিক্ৰমাৰ সোঁতক কোনো কু অভিসন্ধিয়ে কোনো দিনে ৰোধিব নোৱাৰে। এই কথা চিৰ সত্য, চিৰ শাশ্বত।

# আমন্ত্ৰণ

কুমুদ চন্দ্ৰ মেধি



কঁহুৱাৰ শুকুলা ৰূপৰ  
পৰশে জনালে  
শৰতৰ বতৰা,  
পূৰ্ণিমাৰ স্নিগ্ধ জোনাকত  
প্ৰকৃতি হয়  
আপোন পাহৰা ।  
দুবৰিৰ দলিচাত  
আঁকা নিয়ৰৰ  
উজ্জ্বল চিকমিকনি,  
সৰা শেৱালিৰ  
মধুৰ সুবাসে  
শৰত অহাৰ  
বিলালে বাণী ।  
হাচনাহানাৰ শীতল  
গোন্ধত চৌদিশ  
আমোলমোলাই যায়,  
ভৰযৌৱনা হৈ  
শৰত আহে  
প্ৰকৃতিৰ অপৰূত  
সৌন্দৰ্য্য ওপচায়।  
নিৰ্মল আকাশ  
আলসুৱা মেঘে  
হিয়া-মন জুৰ পেলায়, ,  
শৰতে নিয়ে আমাৰ  
মনৰ এন্ধাৰৰ  
মলিন ছাঁ আঁতৰায়।  
শৰত তোমাক  
জনালোঁ নিমন্ত্ৰণ  
দিয়া আনন্দৰ  
জেউতি বিলাই,  
সুন্দৰ ধৰা  
জিলিকি উঠক  
জ্যোতিৰ স্ফুলিংগৰ  
ন-ন টো ৰোৱাই ।





Lila Ghar
HOME DECOR & FURNISHINGS
দুৰ্গা পূজাৰ শুভেচ্ছাৰে
Happy Durga Puja
We deals in -
* Artificial Flowers & Grass
*Handicrafts & Gifts Iteam
* Home Decoration
* Lights & Lamps
*PVC & WPC Panels
* Wallpapers , Highlighters & Designer Doors
Address - Near Bharat Petrol Pump , Bhetapara, Guwahati -781028 Assam
**Come & see what we have for you, you will surely be surprised ......




AUTO MAFIA
Detailing. Lights. Audio
WISH YOU A VERY HAPPY DURGA PUJA 2022
Ph.No - +91 70865 599-81/37, +91 86385 82703
B.R. Phukan Road, Bharalumukh, Guwahati - 781009
Gmail- automafianoryheast@gmail.com
AUTO MAFIA
WORKSHOP




M/s BAY LEAF
Bay Leaf
Challenge Everything
2nd FLOOR, HARABALA MARKET, GMCH ROAD BHANGAGARH, OPPOSITE NEMCARE HEART INSTITUTE, GUWAHATI-781005
Email:bayleafhospitalsolution@gmail.com
Contact No: 9707238346, 8638743915, and 7002639739
We Deals in -
Flexible Electronic Fibre-less Bronchoscope,Video Laryngoscope (Adult & Neonatal),Laproscopy Equipment Set,Disposable Infusion Pump-Multi Rate & PCA,Sterilizer,Formalin Chamber,Autoclaves,Fogger Machine,Patient Monitor,Ventilator,Defribilator,ABG Machine,ECG Machine,C-Pap & Bi-Pap,Diathermy Machine,Suction Machine,Radiant Warmer,Phototherapy,Infusion/Syringe Pump,Surgical Instruments-Open & Laproscopy,Dressing Drums & Surgical Trays,ICU Bed,Instrument Trolley,Crash Cart,Examination Table,OT Table,Tracheostomy Tube-Normal,with suction,Double Lumen,Fenestrated,Disposable Surgical Gowns & Drapes(Ortho,Gynae,Uro,Neuro,CTVS),Gloves,ET Tube-Normal,Flexomettalic,EndoBroncheal Tube-Left/Right,CVC Kit-Straight/Y needle,Epidural Kit with LOR indicator syringe




PUJA DHAMAKA
NS ELECTRICALS
Minimum Purchase
RS 3000
ASSURED GIFT
*Terms & Condition offer not valid for wire
Ganeshpara,Call - 8638974283

**E-mail us-**
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

# Rongili Barta

GUWAHATI—781025

৮ আহিন ১৪২৭ চন Rongili Barta, Date of Publication--25 September, 2022

JB's


## WISH YOU A VERY HAPPY DURGA PUJA

**Heights of Delicious flavours anywhere in Guwahati**

: G.S. Road
: Latashil
: Fancy Bazar







## WISH YOU A VERY HAPPY DURGA PUJA




**DATAMATION**
**SUMMER OFFER**

•EXCHANGE OFFER AVAILABLE •BEST PRICE
•0% EMI AVAILABLE •CASHBACK AVAILABLE
ASSURED GIFT

FINANCE PARTNER : BAJAJ FINSERV, IDFC FIRST Bank, HDB FINANCIAL SERVICES, HDFC BANK

LG Life's Good, SAMSUNG, Lenovo, DELL, JBL, SONY, CP PLUS, Canon

DDH DATAMATION DIGITAL HOME — Opp. Ulubari Petrol Pump, G.S.Road, Ulubari, Guwahati-7 Phone : 7086094885 | 0361-2451581

DATAMATION LG BEST SHOP — Opp. Ulubari Petrol Pump, G.S. Road, Guwahati-7 Contact : 9864339247, 9854021692

www.datamation.in datamationghy




ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286